চোৱাৰধাৰিনা তিৰোতাসকলৰ চলাফেৰা দ্ৰুত হোৱা বাবে তেওঁলোকৰ খোজত মনিময় নূপুৰৰ শব্দ হৈছিল আৰু সেই আওয়াজ পদুমৰ মৌপানে মতলীয়া ৰাজহংসৰ কলধ্বনিৰ দৰে বেলেগ বেলেগ ভাৱে প্ৰতিধ্বনিত হৈছিল। বাৰবণিতাসকলৰ ইফালে-সিফালে যাবলৈ উদ্যত হোৱাত তেওঁলোকৰ কঁকালত থকা ৰত্নময় কাঞ্চীৰ ঝন্‌ঝন্‌ শব্দে সেই ঠাইখিনি মুখৰিত হৈ আছিল। ৰাজভৱনৰ পুখুৰীৰ ৰাজহংসবোৰ নূপূৰৰ ধ্বনিত আকৃষ্ট হৈ খট্‌খটিবোৰ শোভা কৰি উচ্চৈঃস্বৰে কোলাহল কৰিবলৈ ধৰিলে। সামন্ত ৰজাসকলৰ ভৰিৰ শব্দ যেন পৃথিৱী কঁপাই তুলিলে। দুৱৰীবিলাকে হাতত লাঠি লৈ ৰজাৰ সন্মুখৰ পৰা মানুহবোৰক আঁতৰাবালৈ ধৰিলে। উপস্থিত ৰজাসকলে মূৰ দোৱাই ৰজা শূদ্ৰকক সেৱা কৰাত তেওঁলোকৰ মাথাৰ মুকুটসমূহ মনিময় শলাকাসমূহত ঘৰ্ষণৰ ফলত মনিখচিত ভৱনৰ মজিয়াত বিভিন্ন শব্দ নিনাদিত হৈ আছিল। বিভিন্ন ধৰণৰ শব্দ যেনে ৰজাসকলৰ ৰত্নময় কৰ্ণকুণ্ডলৰ ৰণ ৰণ শব্দ, স্তুতিপাঠকসকলৰ ‘মহাৰাজৰ জয় হওক, দীৰ্ঘজীৱী হওক’ ইত্যাদি মঙ্গলসূচক ধ্বনি, নিজৰ নিজৰ গন্তব্যস্থললৈ যোৱা মানুহসকলৰ ভৰিৰ আওয়াজে মৌমাখিবোৰে ফুলবিলাক পৰিত্যাগ কৰি চঞ্চল ভাৱে উৰিবলৈ ধৰাত বেচিকৈ গুণগুণনি শব্দ হৈছিল আৰু ৰজাসকলৰ কেয়ুৰৰ আগবোৰ ৰত্ননিৰ্মিত শিকলিৰে বেষ্টিত মনিময় স্তম্ভবিলাকত লাগি যি শব্দ সৃষ্টি কৰিছিল তাতে সভামণ্ডপ

কৰিলে। মৌমাখিয়ে সেই সৌৰভক আচল ফুলৰ সৌৰভ ভাবি অনুসৰণ কৰিলে। ৰজা মূৰত মালতীফুলৰ শিৰোভূষণ ধাৰণ কৰি কাপোৰ সলাই, কাণত কুণ্ডল পৰিধান কৰি যোগ্য ৰজাসকলৰ লগত ভোজন কাৰ্য্য সমাপন কৰিলে।

তাৰপাছত ধূমপান কৰি আচমন কৰিলে আৰু পৰিচাৰিকাৰ হাতত ধৰি অনুচৰবিলাকক লগত লৈ তেওঁ সভামণ্ডপত উপস্থিত হ'ল য'ত চাৰিওফাল বগা কাপোৰেৰে আবৃত কৰাত তাৰ ভেটি স্ফটিক নিৰ্মিত যেন লাগিছিল। কস্তুৰীৰ সৌৰভেৰে আৰু চন্দনপানীৰে সভাৰ মনিময় ভেটি সিক্ত হোৱা হেতু শীতল হৈছিল। সভামণ্ডপ ফুলেৰে সজ্জিত আছিল। ৰূপেৰে নিৰ্মিত স্তম্ভসমূহৰ গাত নানাবিধ মূৰ্ত্তি খোদিত কৰা হৈছিল। সুন্দৰ অগৰু আৰু ধূপৰ গোন্ধে চাৰিওফালে আমোলমোলাইছিল। সেই সভামণ্ডপৰ মাজত ৰত্নময়বেদিকাত শুভ্ৰ মেঘখণ্ডৰ দৰে ধৱল বিছনাৰ ওপৰত ফুলৰ গোন্ধে আমোদিত চাদৰ পৰা আছিল, মূৰৰ ফালে পাটকাপোৰেৰে নিৰ্মিত এখন গাৰু আছিল, পালেঙৰ খুৰাবোৰ মজবুত আছিল আৰু লগতে তাৰ কাষতে ৰত্ননিৰ্মিত এখন পাদপীঠ আছিল।

তাতে ৰজাই বিছনাত বহি বিশ্ৰাম লোৱাৰ সময়ত এজনী তিৰোতা তেওঁৰ চৰণযুগল পিহি দিবলৈ ধৰিলে আৰু উপস্থিত ৰজা, মন্ত্ৰী তথা বন্ধুবৰ্গৰ লগত কথাপাতি কিছুকাল যাপন কৰিলে। তাৰ পাছত ভাটৌ পখীৰ কথা স্মৰণ হোৱাত ৰজা দুৱৰীক আদেশ দিলে — "অন্তঃপুৰৰ পৰা বৈশম্পায়নক লৈ আহা।" তেতিয়া তাই মাটিত আঠু কাঢ়ি ৰজাক প্ৰমাণ কৰি 'মহাৰাজৰ যি আদেশ' এই বুলি অন্তঃপুৰলৈ গমন কৰিলে।

তাৰ পিছত মুহূৰ্তই দুৱৰীয়ে পিঞ্জৰাটো লৈ বৈশম্পায়নক ৰজাৰ ওচৰলৈ আনিলে। স্বজাতিৰ প্ৰতি থকা মৰমৰ বাবে এজন বৃদ্ধ কঞ্চুকী সেই বৈশম্পায়নৰ পাছে পাছে আহিল। ঈষৎ হালি থকা বৃদ্ধজনৰ পোচাক আছিল বগা আৰু তাৰ চুলিখিনিও বগা আছিল বয়সৰ কাৰণে আৰু কণ্ঠস্বৰ অস্পষ্ট। মন্দ গতিত আহি হাত দুখন মাটিত থৈ কঞ্চুকীয়ে ৰজাক জনালে



— 'মহাৰাজ, ৰাজমহিষীসকলে আপোনাক জনাইছে যে মহাৰাজৰ আদেশ মান্য কৰি বৈশম্পায়নে স্নানকাৰ্য সম্পাদন কৰি আহাৰ গ্ৰহণ কৰিছে।' পুনঃ আপোনাৰ আদেশ পাই দুৱৰীয়ে ভাটৌ পক্ষীক আপোনাৰ ওচৰলৈ লৈ আহিছে। এই বুলি কৈ কঞ্চুকী গুচি গ'ল। তেতিয়া ৰজাই ভাটৌ পক্ষীক সুধিলে — 'অন্তঃপুৰৰ ভিতৰত কিবা প্ৰিয় আহাৰ কৰা হ'ল নে?'

ভাটৌ চৰাইটোৱে উত্তৰ দিলে — 'মহাৰাজ, কি খোৱা নাই? মৌ পানে মত্ত কুলিৰ চকুৰ দৰে দ্যুতিযুক্ত, নীলা আৰু ঈষৎ ৰঙা বৰণৰ মধুৰ ৰসযুক্ত জামুৰ ৰস যথেষ্ট পান কৰিছো, সিংহৰ নখেৰে বিদাৰিত উন্মত গজৰাজৰ মূৰৰ পৰা ওলোৱা ৰক্তাক্ত মুক্তাৰ দৰে ডালিমৰ গুটি চোবাইছো আৰু পদুমনালৰ দৰে সেউজীয়া আৰু আঙুৰৰ দৰে সুস্বাদু পুৰণা আমলখি ফল ইচ্ছামতে খাইছো। মহিষীসকলৰ দ্বাৰা পৰিৱেশিত সকলো বস্তুই মোৰ কাৰণে অমৃতসদৃশ আছিল।'

ভটৌ চৰাইটোৱে এনেদৰে ক'বলৈ ধৰিলে ৰজাই তাৰ মাজত বাধা দি ক'লে এইবোৰ বাৰু যাওঁক, তুমি আৰম্ভণিৰে পৰা নিজৰ বৃত্তান্ত কৈ আমাৰ কৌতুহল আঁতৰ কৰা — কোন দেশত তুমি কেনেকৈ জন্মগ্ৰহণ কৰিছা, কোনে তোমাৰ নাম দিলে, কোন তোমাৰ মাতৃ, কোন তোমাৰ পিতৃ, কেনেকৈ বেদ বা অন্যান্য শাস্ত্ৰৰ লগত পৰিচয় হ'ল, কেনেকৈ বা কলাজ্ঞান হ'ল, অথবা কোন মহাপুৰুষৰ বৰদানৰ প্ৰভাৱত তুমি জাতিস্মৰ হৈছা, নাইবা চৰাইৰ ৰূপত তুমি কোন মহাপুৰুষ গুপ্তভাৱে বাস কৰিছা, আগেয়ে তুমি ক'ত আছিলা, তোমাৰ বয়সই বা কিমান, কেনেদৰে তুমি পিঞ্জৰাবদ্ধ হ'লা, কেনেকৈ চণ্ডালৰ হস্তগত হ'লা আৰু ইয়ালৈকে বা কিয় আহিলা?'

ৰজা শূদ্ৰকৰ কৌতুহল নিৰসন কৰিবৰ বাবে ভাটৌ চৰাই বৈশম্পায়নে কিছু সময় চিন্তা কৰি অতি শ্ৰদ্ধাৰে নিবেদন কৰিলে — মহাৰাজ! এই কথা অতি দীঘলীয়া। যদি আপোনাৰ জানিবলৈ আগ্ৰহ হৈছে তেন্তে শুনক —

গছৰ পল্লবৰ দ্বাৰা বায়ু সঞ্চালিত হয়। সৰু ল'ৰা-ছোৱালীৰ গলত যিদৰে বাঘৰ নখ আৰু গণ্ডক আঁৰি দিয়াৰ প্ৰচলন আছে, সেই বিন্ধ্যাৰণ্যেও বাঘৰ নখৰ চিন আৰু গড়েৰে ঘূৰি ফুৰা এলাকা আছে। পানশালাত নানাবিধ ফুলেৰে মদ আৰু পানপাত্ৰবোৰ যিদৰে সজ্জিত ৰখাৰ ব্যৱস্থা আছে, সেই বিন্ধ্যপৰ্বতেৰ অৰন্যানী ও নানাবিধ গছ আৰু ফুলেৰে পৰিপূৰ্ণ। প্ৰলয়কালত বৰাহৰূপধাৰী বিষ্ণুৱে যিদৰে দাঁতেৰে পৃথিৱী ধাৰণ কৰিছিল তেনেদৰে বিন্ধ্যাটবীৰ অৰণ্যে গাহৰিবোৰ স্বচ্ছন্দে বিচৰণ কৰে। ৰাম-ৰাবনৰ যুদ্ধখনে লংকাত বানৰে যেনেদৰে ওখ ওখ অট্টালিকাবোৰ ভাঙি তচনচ কৰিছিল ঠিক তেনেদৰে এই অটবীৰ ওখ ওখ শালগছবোৰৰ ডাল বানৰে ভাঙি লণ্ডভণ্ড কৰি দিছিল, সদ্যসমাপ্ত বিয়াঘৰৰ দৰে বিন্ধ্যাটবীৰ কোনো কোনো ঠাইত শুকান কুশবন, সমিধ, ফুল আৰু শমীগছৰ পাতেৰে শোভিত আছিল। উন্মত্ত সিংহৰ গৰ্জনে ভয়বিহ্বল হৈ তিৰোতাসকল যেনেদৰে ৰোমাঞ্চিতা হৈ যায়, ঠিক তেনেদৰে বিন্ধ্যাটবীৰ অৰণ্যৰাজিও কোনো কোনো ঠাইত কাঁইটেৰে পৰিপূৰ্ণ। বিন্ধ্যাটবীত ক'ৰবাত কোকিলৰ মধুৰ কুহুধ্বনি, ক'ৰবাত উন্মাদ তিৰোতাৰ দৰে তালগছৰ পাতৰ মাজেৰে পাৰ হৈ যোৱা বায়ুৰ ঝিৰ্ ঝিৰ্ শব্দ, ক'ৰবাত বিধৱাৰ দৰে তালপত্ৰ বিহীন, ক'ৰবাত যুদ্ধক্ষেত্ৰৰ দৰে শৰবনেৰে আবৃতা, দেৱৰাজ ইন্দ্ৰৰ সহস্ৰচক্ষুৰ দৰে এই বিন্ধ্যাটবীও সহস্ৰ গছৰ শিপাৰে আগুৰা, এই অৰণ্য ক'ৰবাত নাৰায়ণৰ শৰীৰৰ দৰে তমাল গছৰ নীলা পংক্তিৰে পূৰ্ণ আৰু ক'ৰবাত বান্দৰ বিলাকৰে আশ্ৰিতা অৰ্জুনৰ ৰথৰ পতাকাৰ দৰে, ক'ৰবাত আকৌ বেতবনেৰে সমাকীৰ্ণ হোৱাৰ ৰজাৰ দ্বাৰভূমিৰ দৰে প্ৰবেশ অসম্ভৱ; ক'ৰবাত আকৌ বিৰাট নগৰৰ দৰে শ শ বিন্ধাযুক্ত বাঁহেৰে এই বননিৰ অংশবিশেষ সমবৃতা; যিদৰে শিবপুৰাণোক্ত কাহিনী অনুসাৰে অতীতৰ ব্যাধৰূপী মহাদেৱৰ ভয়তে ব্ৰহ্মাই চঞ্চলভাৱে আকাশত মৃগশিৰা নক্ষত্ৰৰূপ ধৰি অৱস্থান কৰিছিল, বিন্ধ্যাৰণ্যৰ কোনো কোনো ঠাইত ব্যাধৰ ভয়তে হৰিণবিলাকে চঞ্চল আৰু চকিত হৈ বসবাস কৰে, কোনো ব্ৰতচাৰীনি যেনে কুশ, জীৰ্ণবস্ত্ৰ, জটা আৰু বল্কল ধাৰণ কৰে, নানাবিধ গছ-পাতেৰে পৰিপূৰ্ণ হ'লেও সেই বিন্ধ্যাৰণ্য কোনো কোনো ঠাইত



বট, আহত গছৰ শিপা বা জটাৰ ধাৰণ আৰু শুকান বৃক্ষবল্কল সমন্বিত হোৱা দেখা যায়। বহুতো শিমলুগছেৰে ভূষিত, হিংস্ৰ জন্তুৰে পূৰ্ণ হ'লেও মনুষ্যসকলৰ আৱাস ভূমি আৰু গছ ফুলেৰে পৰিপূৰ্ণ আৰু অতি পবিত্ৰ আছিল এই বিন্ধ্যাটবী।

সেই বিন্ধ্যাটবীৰ মাজত দণ্ডকাৰণ্যত আছিল অগস্ত্য মুনিৰ আশ্ৰম। যি অগস্ত্য মুনি ইন্দ্ৰৰ প্ৰাৰ্থনা মতে সকলো সাগৰৰ পানী পান কৰি সেই উদগীৰিত পানীৰ দ্বাৰা আশ্ৰমৰ চাৰিওফালে সৰোবৰৰ সৃষ্টি কৰিছিল। বিন্ধ্যপৰ্বতে সুমেৰু পৰ্বতৰ প্ৰতি হিংসাৰ কাৰণেই আকাশত বহু শৃঙ্গ উত্তোলিত কৰিছিল, দেৱতাসকলক অমান্য কৰি সূৰ্য্যৰ ৰথৰ গতিবন্ধ কৰিবলৈ উদ্যত হৈয়ো অগস্ত্য মুনিৰ আদেশ অমান্য নকৰিলে বিন্ধ্যপৰ্বতে, যি অগস্ত্যই বাতাপি দানৱক হজম কৰিছিল, দেৱতা আৰু অসুৰ সকলৰ দ্বাৰা যি সদায় পূজিত হৈছিল, দক্ষিণ দিক্‌বধুৰ কপালৰ মধ্যমনি স্বৰূপ নহুষ ৰজাক একে হুঙ্কাৰত স্বৰ্গৰ পৰা পেলাই দি নিজৰ বীৰত্বৰ পৰিচয় দিছিল যি অগস্ত্য মনি, সেই ভগবান মহষি অগস্ত্যৰ ভাৰ্য্যা লোপমুদ্ৰা সকলো গছবিলাকক নিজৰ পুত্ৰৰ দৰে আশ্ৰমত পৰিপালনৰ দায়িত্ব পালন কৰিছিল। তেওঁৰ পুত্ৰ দৃঢ়দস্যু ব্ৰহ্মচৰ্য্য ধাৰণ কৰি পলাশদণ্ড আৰু ত্ৰিপূণ্ডক কপালত অঙ্কন কৰি কুশনিৰ্মিত কৌপিন আৰু মেঞ্জমেখলাৰে নিজৰ কঁকাল ঢাকি, প্ৰত্যেক পৰ্ণশালাৰ পৰা শুকান পাতৰ ভিক্ষাপাত্ৰ লৈ ভিক্ষা খুজি আশ্ৰমক পবিত্ৰ কৰিছিল। যথেষ্ট পৰিমানে যজ্ঞকাৰী বা ইধ্‌ম বহন কৰা বাবে মহৰ্ষি অগস্ত্য পুত্ৰৰ আৰু এটা নামাকৰণ কৰিলে 'ইধ্‌মবাহ' বুলি। ভাটৌ পক্ষীৰ হৰিৎ বৰণৰ দৰে সেই আশ্ৰমও কলগছৰ দ্বাৰা শ্যামবৰণীয়া আছিল। অগস্ত্যমুনিৰ পান কৰা সেই সাগৰৰ পথ অনুসৰণ কৰিয়েই যেন গোদাৱৰী নৈ আশ্ৰমৰ চাৰিওফালে বৈ গৈছিল।

আহে তেতিয়া তেখেতসকলৰ স্তনলিপ্ত চন্দনৰ গুড়িৰে সৰোবৰ পানী ধৰলিত হৈ পৰে আৰু হ্রদৰ পানীৰ ওচৰত পৰি থকা কেতেকীফুলৰ পৰাগবোৰ পাৰত বালিচৰৰ সৃষ্টি কৰে। তপস্বীসকলৰ পৰিহিত বল্কলৰূপ পোচাকবোৰ ধুই দিয়াত তাৰ পৰা নিৰ্গত ৰস সৰোবৰৰ পানী ৰঙচুৰা কৰি তোলে। ঘন তমালৰাজি হ্রদৰ পাৰত শোভাবৃদ্ধিৰ লগে লগে অন্ধকাৰময় পৰিবেশ সৃষ্টি কৰে। বানৰৰাজ বালিয়ে নিৰ্বাসন দিয়া ঋষ্যমুক পৰ্বতত বাসকৰা সুগ্ৰীবৰ কাৰণে লতাবোৰ ফলহীন হৈ তাতে অৱস্থান কৰিছিল। পানীৰ মাজত নামি তপস্যা কৰা মুনিসকলৰ পূজাৰ নিমিত্ত উপযুক্ত ফুল ফল ইয়াতেই আছে, উৰি ফুৰা জলচৰ প্ৰাণীৰ পাখিৰ পানী পৰি গছৰ ডালবোৰ সদায় কোমল হৈ থাকে আৰু তিতি থাকে। ময়ুৰবোৰে তাণ্ডৱ নৃত্যৰত থাকে সদায়। নানাবিধ পুষ্পৰ সৌৰভে বনদেৱতাসকলৰ শ্বাসবায়ু দ্বাৰা বনাঞ্চল সৌৰভময় হয়। কৰ্দমাক্ত বনৰীয়া হাতীবোৰে সেই সৰোবৰে পানী খোৱাৰ লগে লগে গা-ধুইও আনন্দ উপভোগ কৰে। অতিশয় বিশাল জলৰাশিতে পূৰ্ণ এই পম্পা সৰোবৰ।

সেই পম্পা সৰোবৰে প্ৰস্ফুটিত নীল পদুমৰ প্ৰতিবিম্ব পৰি পাখিবোৰ শ্যামবৰণীয়া হয় আৰু ফলতে চাকৈ-চকোৱা চৰাইবোৰৰ ৰামচন্দ্ৰৰ দ্বাৰা অভিশাপগ্ৰস্ততাৰ উদাহৰণ হিচাপে দেখা যায়। সেই পম্পা সৰোবৰৰ পশ্চিম পাৰত, ৰামচন্দ্ৰৰ বানে জৰ্জৰিত তালগছসমূহৰ সন্মুখতে এজোপা প্ৰকাণ্ড শিমলুগছ আছে। হাতীৰ শুৰৰ দৰে এটা বুঢ়া অজগৰ সাপে সেই গছজোপাৰ গুৰিত মেৰিয়াই থাকি যেন গছজোপাক পহৰা দি আছে। গছডালৰ উচ্চ শাখাত সাপৰ মোট বা ছাল ওলমি থকাত আৰু বতাহৰ গতিত ই লৰচৰ কৰাত ইয়াক সেই গছৰ উত্তৰীয় বুলি ভ্ৰম হয়, আৰু এনে ধাৰণা হয় যে চাৰিওফালে উৰ্দ্ধবাহু হৈ থকা সেই শিমলু গছজোপা যেন প্ৰলয়কালত তাণ্ডৱ নৃত্যৰত শিৱক অনুকৰণ কৰিছে। অতি পুৰণি হোৱা বাবে ওচৰৰ প্ৰায় সকলো লতা সেই শিমলু গছজোপাক বাৰ্ধক্যৰ শিৰাবিলাকৰ দৰে মেৰিয়াই আছে যেন, বৃদ্ধাবস্থায় উৎপন্ন হোৱা কলাচিনবোৰৰ দৰে



কাঁইটবোৰ গছজোপাৰ সৰ্বত্ৰ বিদ্যমান। গছজোপাৰ আগভাগ দেখিবলৈ পোৱা নাযায় যদি তাতে বহুতো চৰাই চিৰিকতি আকাশত ঘূৰি ফুৰি ক্লান্ত হোৱাৰ পিছত এই গছজোপাতেই আশ্ৰয় লয়। বৰষুণৰ পানীত তিতি অহা চৰাইবোৰৰ গাৰ পানী গছৰ ডালবোৰ সিক্ত কৰে। অতিৰিক্ত ওখ হোৱা বাবে গছজোপা যেন স্বৰ্গৰ নন্দনকাননৰ শোভা প্ৰত্যক্ষ কৰিবলৈ উদ্যত হৈছে। ওচৰলৈ নামি উপৰিভাগত থকা শিমলুগছৰ শাখা প্ৰশাখাবোৰৰ ওপৰত সূৰ্য্যকিৰণ পৰি ধবল বৰণ ধাৰণ কৰিছে ঠিক যেন আকাশত চৰিফুৰাৰ পৰিশ্ৰমতে ক্লান্ত সূৰ্য্যৰ ৰথৰ সাতটা ঘোঁৰাৰ মুখৰ পৰা ওলোৱা ফেনবোৰে বগা তুলাৰাশি বুলি ভ্ৰম হৈছে। মত্ত হাতীৰ গন্তদেশ সেই গছৰ গুৰিত খুজোৰাৰ বাবে বনৰীয়া হাতীৰ মদজল তাত লাগি ধৰাত উন্মত্ত ভোমোৰাবোৰে সেই জায়গাটোতে বেৰি ধৰিছে আৰু তাতে ভ্ৰম হৈছে যে বহুকাল লোৰ শিকলিৰে বন্ধা থকাৰ কাৰণে তাৰ গুড়ি অংশটো প্ৰলয়কাললৈকে বিদ্যমান থাকিব। ভোমোৰাবোৰৰ অনবৰত খোৰোঙাত ওলোৱা সোমোৱা আৰু গুণ গুণ আওয়াজ শিমলুগছজোপাক সজীৱ কৰি তুলিছে। দুৰ্যোধনৰ যিদৰে শকুনিৰ প্ৰতি পক্ষপাতিত্ব দেখা গৈছিল ঠিক ইয়াৰও শকুনি অৰ্থাৎ পক্ষীবিলাকৰ আশ্ৰয়স্থল আছিল এই শিমলুগছজোপা। সেই গছজোপা নাৰায়ণৰ দৰে বৰ্ণমালাৰে আগুৰি আছিল, ই আকাশলঙঘী আৰু অত্যুচ্চ প্ৰাসাদৰ দৰে দণ্ডায়মান আছিল। সমস্ত দণ্ডকাৰণ্যৰ অধিপতিসদৃশ, বনস্পতিবিলাকৰ মাজত প্ৰধান নায়ক সদৃশ আৰু ই যেন শাখাৰূপ বাহুৰে বিন্ধ্যাটবীক আলিঙ্গন কৰি আছে।

সেই বুঢ়া শিমলু গছৰ খোৰোঙত, ডাল-পাতৰ আঁৰত, ডাঙৰ ডাঙৰ ডালবোৰৰ সন্ধিস্থলত নিশ্চিন্তমনে বিভিন্ন চৰাইয়ে বাহ নিৰ্মাণ কৰি পোৱালিবোৰৰ লগতে নিৰ্ভয়ে দিনৰাতি যাপন কৰি আহিছিল বহুকাল ধৰি। গছজোপা বুঢ়া হোৱাৰ কাৰণে অলপ পাত থাকিলেও ভাটৌ শালিকা আৰু বিভিন্ন চৰাইবোৰ দিনে ৰাতি তাতে থাকিবলৈ লোৱাত তাক ঘন পাতেৰে সেউজীয়া যেন দেখা গৈছিল।

দ্বাৰা আকাশৰ নক্ষত্ৰৰূপ পুষ্পবোৰ সাৰি পেলাবলৈ ধৰিলে, উত্তৰে অৱস্থিত সপ্তৰ্ষিমণ্ডল ক্ৰমে যেন মানস সৰোবৰৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে, পশ্চিম সাগৰৰ পাৰৰ বালিৰ চৰবোৰক মুক্তৰ ৰশ্মিৰে ধৱলবৰণীয়া যেন লাগিছিল, যেন সূৰ্য্য উদয়েৰ লগে লগে নক্ষত্ৰবোৰ মাটিত সৰি পৰিবলৈ ধৰিলে, নিয়ৰৰ টোপালবোৰ টুপ টুপকে বনৰ মাজত পৰিবলৈ ধৰিলে, ময়ুৰবোৰে সজাগ হ'ল, সিংহবোৰে পুৱাৰ পোহৰ চাই হামিয়াই আছিল, হস্তিনীবোৰ মদস্ৰাবী হাতীবোৰক জগাবলৈ প্ৰয়াস কৰিলে, প্ৰকৃতি যেন নানাবিধ নিয়ৰসিক্ত গছে ফুলে ঠাল-ঠিঙুলিৰে অঞ্জলিপূৰ্বক উদয়াচলৰ ওপৰত থকা সূৰ্য্যদেৱক ধূম্ৰক তপোবনৰ অগ্নিহোত্ৰযাগৰ ধোঁৱাবোৰ, অট্টালিকা সদৃশ বনদেৱতাসকলৰ ঘৰৰূপী ওখ ওখ গছসমূহৰ ওপৰত কপৌ চৰাইৰ দৰে লাগি যেন ধৰ্ম পতাকা উৰি আছিল, নিয়ৰৰ কণা বুকুত লৈ পদুমবনত কম্পন সৃষ্টি কৰি ৰতিক্ৰিয়াৰ ফলে শ্ৰান্ত শবৰ ৰমনীসকলৰ ঘামবোৰ নাইকিয়া কৰি বনৰীয়া মহবোৰৰ ঘাঁহ ৰোমন্থন কৰা বা পাগুলাৰ সময়ত ফেনৰ কণাবোৰ বহন কৰি বতাহত হালি পৰা গছৰ ডাল ঠাল পাতসমূহৰ মাজেৰে চঞ্চলতা সৃষ্টি কৰি প্ৰস্ফুটিত পদুমবোৰৰ মৌ বৰ্ষণ কৰি, ফুলৰ সৌৰভত মৌমাখিৰ জাকবোৰত দোলা দি ধীৰ গতিৰে প্ৰভাতী বায়ু ববলৈ আৰম্ভ কৰিলে, ৰজাসকলৰ জাগৰণৰ বাবে স্তুতিপাঠকসকলে যিদৰে মঙ্গলগান গায় ঠিক তেনেদৰে ভোমোৰা পদুমৰ বনৰাজি বিকশিত হ'বলৈ গুণ গুণ কৰি গুঞ্জন কৰিবলৈ ধৰিলে, কিছুমানে মদমত্ত হাতীৰ মদবাৰিত পৰি গুণগুণাব ধৰিলে, কিছুমানে আকৌ আগদিনা মৌ পান কৰি থাকোতে পদুমৰ মাজত আবদ্ধ হোৱা হেতু প্ৰভাত হোৱাৰ লগে লগে বাহিৰত ওলাই অহাৰ বাবে হুঙ্কাৰ সদৃশ গুণগুণাই থাকিলে, মাটিত শোৱা হেতু বনৰীয়া হৰিণবোৰৰ নোমৰাজি ধোঁৱাবৰণীয়া হৈছিল, অসম্পূৰ্ণ টোপনিৰ কাৰণে চকুৰ নোমবোৰ তপত লাৰ ৰসত লাগি ধৰিছিল। বনচৰসকলৰ ইফালে সিফালে ঘূৰি ফুৰা, ৰাজহাঁহবিলাকৰ শ্ৰুতিমধুৰ কোলাহল, হাত চাপৰিৰ দৰে হাতীৰ কুলাৰ দৰে কাণৰ শব্দে ময়ুৰৰ নৃত্য কৰি উঠা, আৰু ক্ৰমে লাহে লাহে সূৰ্য্যদেৱতাৰ উদয়ৰ পথ অতিক্ৰম কৰি মাজ আকাশৰ দিকে অৱতৰণ কৰাত



মঞ্জিষ্ঠাৰ দৰে আকাশত ৰঙা সূৰ্যকিৰণসমূহ দেখা গৈছিল। যিদৰে সূৰ্য্যপুত্ৰ বানৰাধিপতি সুগ্ৰীবে বালীপত্নী তাৰাক অপহৰণ কৰি কিষ্কিন্ধ্যা পৰ্বতশৃঙ্গত আৰোহন কৰি পম্পা সৰোবৰৰ কাষৰ বনেদি বিচৰণ কৰিছিল ঠিক তেনেদৰে সূৰ্য্যৰ নূতন কিৰণসমূহে উদয়াচল শৃঙ্গত প্ৰকাশিত হৈ পম্পা সৰোবৰৰ পাৰৰ গছবোৰৰ ওপৰত ক্ৰমশঃ আলোকপাত কৰিব ধৰিলে। এইদৰে ভালকৈ ৰাতি পোহৰ হোৱাৰ লগে লগে সূৰ্য্যই যেন দিনৰ প্ৰথম যামাৰ্দ্ধ অৰ্থাৎ দিনৰাতিৰ অষ্টম ভাগ অতিক্ৰম কৰি সম্পূৰ্ণৰূপে দিনৰ স্পষ্ট আলোকে উদ্ভাসিত হ'ল। চৰাইবোৰে আহাৰ অন্বেষণৰ বাবে নিজ নিজ ভালপোৱা ঠাইতে উৰি গ'ল। পোৱালিবোৰে নিজৰ নিজৰ বাহত থাকিললেও শিমলু গছজোপা শূন্য যেন লাগিল; মই মোৰ পিতাৰ লগত গছৰ খোৰোঙতে থাকিলো। শিশু হৈ থকাৰ কাৰণে মোৰ উৰিবলৈ শক্তি নাছিল। কেৱল চুটি চুটি পাখিহে গজিছিল। এনে সময়ত হঠাতেই সেই অৰণ্যপ্ৰান্তৰে মৃগয়াৰ প্ৰচণ্ড কোলাহল উঠিল। ভয়তে সকলো বনচৰ প্ৰাণীৰ মাজত হুলস্থূল লাগিল, ভীত হাতীৰ পোৱালিবোৰৰ আৰ্তনাদ, নিজ নিজ স্থানচ্যুত হৈ ভীতিবিহ্বল ভোমোৰাজাকৰ গুণগুননি, বনৰীয়া গাহৰিবোৰৰ ঘৰ্ ঘৰ্ শব্দ, পুৱাত গুহাত শুই উঠা সিংহবিলাকৰ বিকট গৰ্জনত সেই কোলাহল আৰু বহুমাত্ৰাত বৃদ্ধি হ'ল। ভগীৰথে হিমালয়ৰ পৰা পৃথিৱীত গঙ্গা আনয়নৰ সময় গঙ্গাৰ কল কল ধ্বনিয়ে যেন অৰণ্য কপাই তুলিছিল আৰু বনদেৱতাসকলও ভীতসন্ত্ৰস্ত হৈ সেই অদ্ভুত কোলাহল শুনিবলৈ ধৰিলে। মই কেতিয়াও ইমান কোলাহল শুনা নাছিলো। ভয়তে মোৰ অকণমানি শৰীৰটো কঁপিবলৈ ধৰিলে, কাণ দুখন যেন ফাঁটিবলৈ ধৰিলে। ভয়তে কম্পমান ময় নিচেই কাষত থকা দেউতাৰ বাৰ্দ্ধক্যৰ কাৰণে শিথিল পাখি দুখনৰ মাজলৈ সোমাই পৰিলো।

তাৰ পিছত হঠাৎ কৈ অহা চিকাৰীবোৰৰ মাজত কোৱাকুই কৰা শুনা গ'ল "এই ঠাইত হাতীবিলাকৰ দলপতিবোৰৰ বিচৰণক্ষেত্ৰ কিয়নো ইয়াত দলপতি হাতীবিলাক পদুমবোৰ উভালি পেলাইছে আৰু তাৰ সৌৰভে

যিসকলে হেজাৰ হেজাৰ সংখ্যাত আমাৰ ফালে আহি আছে। এই সৈন্য আছিল— হৈহয় ৰাজ্যৰ ৰজা কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰ সহস্ৰবাহুৰ দ্বাৰা সঞ্চালিত নৰ্মদা প্ৰবাহৰ দৰে প্ৰতিভাত হৈছিল।

সেই সৈন্য-সামন্ত অকল নৰ্মদা স্ৰোতৰ দৰেই অহা নাছিল বৰং আছিল প্ৰচণ্ড বতাহৰ বেগতে উভালি পৰি স্থানান্তৰলৈ পতিত হোৱা তমালৰাজিৰ দৰে, পুঞ্জীভূত কালৰাত্ৰিৰ প্ৰহৰসমূহৰ দৰে, ভূমিকম্পত কঁপি উঠা কাজল যেন, কৃষ্ণশিলা স্তম্ভসদৃশ, সূৰ্য্যবিহীন ঠাইৰ অন্ধকাৰপুঞ্জৰ দৰে, সততে ঘূৰি ফুৰা যমৰ পৰিয়ালৰ দৰে, ভূতলবিদীৰ্ণ কৰি পাতালৰ পৰা হঠাৎ অৱতীৰ্ণ হোৱা অসংখ্য দানৱসকলৰ দৰে, পুঞ্জীভূত পাপসমূহৰ দৰে, বহুতো দণ্ডকাৰণ্যবাসী মুনিৰ অন্তৰৰ অভিশাপসমূহৰ দৰে, ৰামচন্দ্ৰৰ অবিৰত বাণবৃষ্টিত নিহত হোৱা খৰদূষণৰ সৈন্যৰ দৰে, এঠাইত গোট খোৱা কলিকালৰ বন্ধুবৰ্গৰ দৰে, গা ধুবলৈ যোৱা বনৰীয়া ম'হসদৃশ, পৰ্বতশৃঙ্গত থকা খণ্ড-বিখণ্ড হোৱা কালমেঘৰ টুকুৰাসমূহৰ দৰে, সকলো বনৰীয়া জন্তুৰ বিনাশসূচক ধূমকেতুৰ দৰে আৰু জগতৰ অমঙ্গলসূচক বেতালসমূহৰ দৰে, সমগ্ৰ অৰণ্য অন্ধকাৰময় কৰি আহিছিল।



# শবৰৰ সেনাপতিৰ বৰ্ণনা

সেই বিশাল শবৰসৈন্যৰ সেনাপতিগৰাকীৰ নাম আছিল মাতঙ্গ, বয়সতে একেবাৰেই তৰুণ, যাক মই এতিয়া দেখা পালোঁ। তাৰ শৰীৰৰ কাঠিন্যতা আছিল লোৰে নিৰ্মিত যেন, ধনুৰ্বিদ্যায় পাৰদৰ্শী হোৱা হেতু জন্মান্তৰে লব্ধ একলব্যৰ প্ৰতিমূৰ্তি যেন বোধ হৈছিল, মুখত নতুন অলপ অলপ দাড়ি গজা হেতু সদবাৰিৰে অলংকৃত নতুন হাতীৰ দলপতিটোৰ দৰে দেখা গৈছিল। তাৰ দেহৰ কৃষ্ণকান্তি যেন নীলাপদুমৰ শ্যামলিমাৰ দ্বাৰা আচ্ছন্ন যমুনাৰ পানীৰ দ্বাৰা প্লাবিত অৰণ্যভূমিৰ দৰে প্ৰতিভাত হৈছিল। কান্ধলৈকে আকুঞ্চিত চুলিকোচা আমাক মদজলসিক্ত জটাযুক্ত সিংহৰ কথা মনত পেলাই দিয়ে। বহল কঁপালযুক্ত, ওখ আৰু ভয়ঙ্কৰ নাক বিশিষ্ট আছিল তেওঁ। সেনাপছিল এটা মাত্ৰ সৰ্প মণিবিশিষ্ট অলংকাৰ, সেই মণিৰ ঈষৎ ৰঙা কিৰণত তেওঁৰ বাওঁফালটো ৰঙচুৰা লাগিছিল যেন সদায় গছৰ পাত আৰু ঠাৰিৰ শয্যাত শয্যাগ্ৰহণ কৰা বাবে গছৰ ঠালৰ ৰঙচুৰা ভাৰটো তাৰ বাওঁফালত প্ৰকাশ পাইছিল। সি সদায় সদ্য নিহত হাতীৰ মদবাৰিৰ দ্বাৰা অঙ্গৰাগ কৰিছিল। সেই সৌৰভত মতলীয়া ভ্ৰমৰবিলাকে তাৰ মূৰৰ ওপৰত ঘূৰি ঘূৰি ময়ূৰপাখীৰে নিৰ্মিত ছাতিৰ দৰে ৰ'দৰ পৰা তাক ৰক্ষা কৰিছিল। গজৰাজৰ লগত যুদ্ধে জয়ী হৈ বিন্ধ্যাটবীয়ে যেন ভয়তে সেনাপতিগৰাকীৰ পৰিচৰ্য্যা কৰিবলৈ ধৰিলে, গছৰ ঠাল কঁপাই তোলাৰ ছলেৰে বায়ু প্ৰৱাহৰ দ্বাৰা তাৰ কঁপালৰ ঘামৰ বিন্দুবোৰ মচি দিছিল, হৰিণবিলাকৰ মৃত্যুৰূপ কালৰাতিৰ সন্ধ্যাকালীন ঈষৎ ৰঙা ভাৰ, তেজত সিক্ত হাতীৰ চকুযোৰ আৰু তাৰ প্ৰভাৱেই যেন সমগ্ৰ দিক্ ৰঞ্জিত হৈছিল। সেনাপতি আছিল ৰাজচক্ৰৱৰ্ত্তী চিন্‌যুক্ত আজানুলম্বিত বাহুযুগলেৰে শোভিত, বিধাতাই

হৈছে পশুচিকাৰ, শিয়ালৰ ৰব হৈছে শাস্ত্ৰপাঠ, ফেঁচাবোৰ হৈছে সৎ আৰু অসৎৰ উপদেশ দিওঁতা, পক্ষীৰ ৰব শুনি মৃগয়াৰ শুভাশুভ নিৰূপণ কৰা হৈছে জ্ঞান, পৰিচিতি হ'ল— কুকুৰ, ইহঁতৰ ৰাজ্য হ'ল— জনহীন অৰণ্য, উৎসৱ হৈছে সকলোৰে মিলি মদ্যপান কৰা, মিত্ৰ হৈছে নিৰ্মম কৰ্মৰ সাধনৰূপ কাঁড় ধনুবোৰ, সহায় হ'ল— সৰ্পবিষযুক্ত বাণ, গান হ'ল— মুমূৰ্ষু হৰিণবিলাকৰ আৰ্তনাদ, ভাৰ্য্যা হ'ল— বন্দী কৰি অনা পৰনাৰীবোৰ, বাস হৈছে— হিংস্ৰ স্বভাৱ বাঘৰ সৈতে, দেৱতা পূজন হয় পশুবিলাকৰ তেজেৰে, বলিকৰ্ম হয় মাংসেৰে, জীৱিকা-নিৰ্বাহ হয় চৌৰ্য্যবৃত্তিৰ দ্বাৰা আহৰিত ধনেৰে, সাপৰ মণিবোৰেই হৈছে অলংকাৰ আৰু অঙ্গৰাগ হৈছে বনৰীয়া হাতীৰ মদবাৰিৰে। ইহঁতে যি অৰণ্যতেই বাস লয়, সেই অৰণ্যৰেই সমূলে ধ্বংস সাধন কৰে। মই এইদৰে ভাবি থাকোতেই সেই শবৰ সেনাপতি মাতঙ্গই বননিত পৰিভ্ৰমণ আৰু য'ত ত'ত ঘূৰি ঘূৰি শ্ৰান্ত হৈ বিশ্ৰাম লোৱাৰ কাৰণে শিমলু গছৰ তলতেই কান্ধৰ পৰা তীৰ ধনু নমাই কোনোবা অনুচৰৰ দ্বাৰা সজ্জিত ঠাল-ঠেঙুলিৰ আসনত বহিল।

তেতিয়া আন এজন অনুচৰে ততালিকে পম্পা সৰোবৰত নামি হাত দুখনেৰে পানী আলোড়িত কৰি পদুম পাতৰ ঠোঙাৰে সৰোবৰৰ পৰা নিৰ্মল পানী আৰু বোকাবোৰ ধুই কিছুমান সৰু সৰু মৃণাল আনি সেনাপতি মাতঙ্গক অৰ্পণ কৰিলে। পদুম পাতত পানীৰ টোপালবোৰ বৈদুৰ্য্যমণিৰ দৰে স্বচ্ছ আছিল। তাকে পাণ কৰি সেনাপতিৰ ক্লান্তি দূৰ হ'ল। ৰাহুৱে যি দৰে চন্দ্ৰকলা গ্ৰাস কৰে, সেই সেনাপতিও পানী পাণ কৰাৰ পিছত সেই মৃণাল দণ্ডবোৰো খাবলৈ ধৰিলে। তাৰ পিছত পৰিশ্ৰম দূৰ দ'লে আৰু পানী খাই তৃপ্ত হোৱাৰ পিছত সেই মাতঙ্গই লাহে লাহে সকলো কিৰাত সৈন্যৰ লগতে অন্যফালে যাবলৈ ধৰিলে।

কিন্তু বীভৎস বিকটাকাৰ এজন বুঢ়া ব্যাধে হৰিণৰ মাংস নাপাই মাংসৰ লোভতে নিজৰ দলৰ পৰা বিচ্ছিন্ন হৈ সেই আমি থকা শিমলু গছৰ গুৰিত ৰৈ থাকিল। অলপ সময় পাছত সেই বুঢ়া ব্যাধটোৱে আমাৰ আয়ু



যেন পাণ কৰিবলৈ ধৰিলে। খঙাল, ৰঙা আৰু অলপ হালধীয়া ভ্ৰূকুটিৰ ভয়ঙ্কৰ দৃষ্টিৰে, ভাটৌবিলাকৰ বাহবোৰ যেন গননা কৰি পখীৰ মাংসৰ সোৱাদৰ লালসাত গছৰ গুৰিৰ পৰা আগলৈ শেন দৃষ্টিৰে চাবলৈ ধৰিলে। সেই ৰূপে তাক দেখি আমাৰ সকলো চৰাইবিলাকৰ প্ৰাণ যেন উৰি গ'ল।

নিষ্ঠুৰ মানুহবোৰৰ কৰিব নোৱাৰা কাম একোৱেই নাই। সেই উচ্চ শিমলু গছৰ আকাশলংঘী শাখাবোৰত সেই চিকাৰীটোৱে জখলাৰেই অনায়াসে সেই গছত উঠিল আৰু যিবিলাকৰ উৰিবলৈ শক্তি নাছিল, তেনে ভাটৌ পোৱালীবোৰক গছৰ ডালৰ সন্ধিস্থলৰ গহ্বৰৰ পৰা সামান্য এটা ফলৰ দৰে উলিয়াই উলিয়াই মাৰি মাটিত নিক্ষেপ কৰিলে। সেই পোৱালীবোৰৰ কিছুমানে মাত্ৰ কেইদিনমান আগতে জন্ম লোৱাৰ বাবে গৰ্ভাৱস্থাৰ ৰঙা আৰু বগা বৰণীয়া শৰীৰৰ কান্তিৰে শিমলু ফুলৰ দৰে দেখা গৈছিল, কিছুমানৰ অলপ অলপ পাখি গজাৰ কাৰণে নতুনকৈ পাত ওলাব ধৰা পদুম যেন লাগিছিল, কিছুমানে আকৌ প্ৰতিকাৰ কৰিবলৈ ঈষৎ ফুলা, ৰভচুৰা পদুমৰ কলিৰ শোভা ধাৰণ কৰা ঠোঁটৰ ৰঙা আগবোৰেৰে অনবৰতে মূৰবোৰ কঁপাই কঁপাই সেই চিকাৰীক যেন বাধা দি আছিল।

কিন্তু হঠাৎ সেই ভয়াবহ প্ৰাণনাশকাৰী আশংকাত পিতাই শঙ্কিত হৈ সাংঘাতিক ৰূপে কঁপিবলৈ ধৰিলে; ভয় আৰু বিষাদত দৃষ্টি লক্ষ্যহীন হোৱাত তেওঁ চকুৰে বাট নেদেখা হ'ল। অশ্ৰুপানীত দুচকু পূৰ্ণ হ'ল। প্ৰতিকাৰ কৰিবলৈ অসমৰ্থ জীৰ্ণ-শীৰ্ণ তেওঁৰ মাত নোহোৱা হ'ল, ইফালে-সিফালে চাবলৈ ধৰিলে, ভয়তে তেওঁৰ শৰীৰৰ গাঠিবোৰ শিথিল হৈ পৰিল, স্নেহপৰবশ হৈ মোক ৰক্ষা কৰিবলৈ ব্যাকুল হৈ পৰিল আৰু অনিশ্চিত বিপদৰ পৰা ৰক্ষা পোৱাৰ আশাৰে পাখি দুখনৰ দ্বাৰা কোলাৰে মোক ঢাকি ধৰি থাকিল।

সেই নিৰ্মম চিকাৰীজনে এটি গাতৰ পৰা আনটো গাতৰ পক্ষী পোৱালীবোৰক ধ্বংস কৰি কৰি আহি হঠাৎ যমদণ্ডৰ দৰে বাম বাহু আমাৰ খোৰোঙত ভৰাই দিলে; সেই বাহু জীৰ্ণ আৰু বিষাক্ত কলা সাপৰ দেহৰ

জননী পৰলোকলৈ গমন কৰাৰ এই বৃদ্ধ পিতাই মোক মা-দেউতা দুয়োৰে মৰম দি নিজৰ শোকাবেগ হৃদয়ত সংযত কৰি অত্যন্ত স্নেহপৰবশ হৈ মোক লালন-পালন কৰিছিল— মই এইখিনি কষ্ট একেবাৰেই পাহৰি গৈছোঁ। মোৰ পিতৃদেৱ ইমান উপকাৰ কৰি অকলে অকলে গুছি গ'ল, অথচ মোৰ প্ৰাণ তেওঁৰ অনুগমন কৰা নাই। জীৱনে জীয়াই থকাৰ ইচ্ছাই প্ৰাণীবিলাকক সকলো প্ৰকাৰে নীচ প্ৰবৃত্তিৰ কৰি তোলে। এনেকুৱা মুমূৰ্ষু অৱস্থাতো মোক পিপাসাই কষ্ট দি আছে। মোৰ এনে লাগিছে যে পিতৃ-মৃত্যু অগ্ৰাহ্য কৰাৰ নিৰ্দয়তাৰ শাস্তি স্বৰূপে এই পিপাসাই মোক কষ্ট দি আছে। এতিয়াও সৰোবৰ অতি আঁতৰত আছে, সেয়েহে জলদেৱতাৰ ভৰিৰ নূপুৰৰ শব্দৰ নিচিনা ৰাজহংসবোৰৰ ৰৱ এতিয়াও দূৰত শুনা গৈছে, পদুমৰ সৌৰভো ইয়ালৈকে বিয়পি অহা নাই, দূৰ হোৱা বাবে মাৰসপক্ষীৰ মাতো অস্পষ্ট, দিনৰ মধ্যাহ্ন অৱস্থা যিটো সহ্য কৰা কষ্টকৰ, কাৰণ মধ্যাহ্ন আকাশৰ সূৰ্য্যৰ প্ৰখৰ তাপৰ কাৰণে প্ৰাণীবিলাকৰ অধিক পিপাসা জন্মাইছে। প্ৰখৰ তাপে ধৰাৰ ধূলিসমূহ উত্তপ্ত সেয়েহে প্ৰবল পিপাসাত অবসন্ন অঙ্গে মই অকণো লৰিব নোৱাৰা হৈছোঁ। অসাৰ হৃদয় আৰু মন লৈ মই চকুত আন্ধাৰ দেখিছোঁ আৰু ভাবি আছোঁ নিষ্ঠুৰ বিধাতা কি আজিয়েই মোৰ মৃত্যুৰ দিন ধাৰ্য্য কৰিছে?"

মই এনেদৰে চিন্তা কৰি আছিলোঁ, তাতে সৰোবৰৰ অনতি দূৰত তপোবনত জাবালি মুনি বাস কৰিছিল। তেওঁৰ পুত্ৰ হাৰীত সকলো বিদ্যাশিক্ষা শেষ কৰি সমবয়সীয়া মুনিকুমাৰ বিলাকৰে সৈতে সেই পদুমৰে ভৰা সৰোবৰত সেই পথেৰেই গা ধুবলৈ আহি আছিল। হাৰীত মুনি আছিল অত্যন্ত তেজস্বী। তেওঁৰ আকৃতি উদিত সূৰ্য্যমণ্ডলৰ পৰা খোদিত কৰি তপত সোণৰ পানীৰে তেওঁৰ শৰীৰৰ ওপৰত প্ৰলেপ লগোৱা হৈছে। স্বল্প দৃশ্যমান পিঙ্গলবৰ্ণ অথচ সুঠাম আৰু নিৰ্মল দেহকান্তিৰে তেওঁ যেন সেই সময়খিনিক বালসূৰ্য্যতাপৰ দৰে আৰু বননিখনক যেন দাবানলযুক্ত তেওঁ যেন তেজপুঞ্জময় আছিল। স্ফটিকেৰে নিৰ্মাণ কৰা জপমালা তেওঁৰ বাওঁকাণত ওলমি থকাত তেওঁক আৰু ধুনিয়া দেখাইছিল। তেওঁৰ কপালত



ভস্মেৰে আঁকা ত্ৰিপুণ্ড্ৰক তেওঁ অলংকৃত কৰিছিল। হাতত কমণ্ডলু, কান্ধত নীলা আৰু বগা বৰণীয়া এখন কৃষ্ণসাৰ হৰিণৰ ছালেৰে তেওঁৰ দেহ পৰিবেষ্টিত আছিল। সম্ভৱতঃ নতুন মৃণালৰ সূতাৰে তৈৰী তেওঁৰ লগুণডাল বাওঁ কান্ধৰ পৰা ওলমি আছিল, অতি সুক্ষ্ম আৰু লঘু হোৱা কাৰণে সেইটো যেন বতাহত কঁপিছিল। তেওঁৰ সোঁহাতত এডাল পলাশৰ লাঠি আছিল আৰু সেই লাঠিডালৰ ওপৰৰ অংশত পূজাৰ বাবে এটি পাতৰ ঠোঙাত কিছু বনফুল বন্ধা আছিল। তপোবনৰ হৰিণাবোৰ হাৰীতৰ পাছে পাছে গৈছিল আৰু সেই হৰিণাবোৰে শিঙৰ আগেৰে তুলি লোৱা মাটিৰে হাৰীতক গা ধুবলৈ সহায় কৰিছিল। হৰিণাবোৰৰ চকু পথৰ দুয়ো কাষৰ কুশ আৰু লতাফুলৰ সংস্পৰ্শত কষ্ট পাইছিল। হাৰীতৰ শৰীৰৰ মাজভাগ মুঞ্জঘাঁহেৰে নিৰ্মিত পোষাকত আবৃত আছিল আৰু বাকী অংশ কোমল গছৰ বাকলিৰে আবৃত দেখা গ'ল। হাৰীতৰ বাৰে বাৰে সোমৰস পাণ কৰাৰ লগত ৰাহুৱে বাৰে বাৰে চন্দ্ৰক গ্ৰাস কৰাৰ লগত মিল পোৱা যায়। পদুমবোৰ যেনেদৰে প্ৰস্ফুটিত হোৱাৰ কাৰণে সূৰ্য্যৰ কিৰণৰ অপেক্ষা কৰে ঠিক তেনেদৰে হাৰীতেও সূৰ্য্য ৰশ্মি উপভোগ কৰিছিল। নদীৰ পাৰৰ শিপাবোৰ যেনেদৰে নদীৰ পানীতে বিধৌত হৈ নিৰ্মল হয় ঠিক তেনেদৰে নদীৰ পানীত হাৰীতৰ জটাবোৰো নিৰ্মল হৈছিল। হাৰীতৰ দাঁতবোৰ প্ৰস্ফুটিত ভেটফুলৰ দৰে বগা আছিল। কৃপাচাৰ্য্য সদায় যেনেদৰে অশ্বত্থামাৰ আশ্ৰয় হৈ আছিল হাৰীতৰ হৃদয়ো তেনেই দয়াপৰবশ আছিল। নক্ষত্ৰবিলাক যিদৰে চিত্ৰা, মৃগশিৰা, কৃত্তিকা আৰু অশ্লেষা নক্ষত্ৰৰ দ্বাৰা সুশোভিত হয় সেইদৰে হাৰীতো বিচিত্ৰ হৰিণাৰ ছালেৰে সুশোভিত হৈছিল। গ্ৰীষ্মকালৰ চুটি ৰাতিৰ লগত হাৰীতৰ ক্ৰমে ক্ৰমে ক্ষয়প্ৰাপ্ত ৰাগদ্বেষৰ তুলনা কৰা হৈছে। আকৌ বৰ্ষা ঋতুৰে বৰষুণৰ দ্বাৰা যিদৰে ধূলি-বালি নাইকিয়া কৰে সেইদৰে হাৰীতো যোগাভ্যাসেৰে পঞ্চকৰ্মেন্দ্ৰিয় আৰু পঞ্চজ্ঞানেন্দ্ৰিয় জনিত কাম-ক্ৰোধ আদি সংযম কৰিছিল। বৰুণৰ দৰে তেওঁও পানীক আশ্ৰয় কৰিছিল, নৰকৰ ভয় তেওঁৰ নাছিল, সন্ধ্যাৰ নক্ষত্ৰবোৰ যেনেদৰে সন্ধ্যাৰাগত ধোৱাবৰণীয়া হয়, তেনেকে তেওঁৰ চকুৰ মণিবোৰো ৰঙচুৱা মুগা বৰণীয়া আছিল। হাৰীত

# জাবালি মুনিৰ আশ্ৰম বৰ্ণনা

অতি ভাগ্যবান মই অলপমান দূৰত গৈ দ্বিতীয় ব্ৰহ্মলোকসদৃশ অতি মনোৰম আশ্ৰম দেখা পালোঁ। আশ্ৰম পথ অতিক্ৰম কৰাৰ লগে লগে বিভিন্ন ধৰণৰ গছ যেনে তাল, তিলক, তমাল, হিদল আৰু বকুল বন দেখা পালোঁ। সদায় ফুল-ফলেৰে শোভিত গছ-গছনিৰ লগতে এলাচী, লোধ্ৰ, লৱলী আৰু লৱঙ্গলতাও দেখা পালোঁ। ৰেণুবোৰ চাৰিওফালে উৰি ফুৰিছিল, মৌমাখিবোৰ বিশেষকৈ আমগছবোৰত ঝঙ্কাৰৰ সৃষ্টি কৰিছিল, দূৰৰ পৰা উন্মত্ত কুলি চৰাইবোৰৰ মধুৰ মাত শুনা পাইছিলোঁ, কেতেকী ফুলৰ পৰাগবোৰে বননিক বগা বৰণীয়া কৰিছিল। বনদেৱতা সফল যেন তামোল গছৰ দোলাত দুলি আছিল, বতাহত কঁপি উঠা ফুলবোৰ নক্ষত্ৰবৃষ্টিৰ দৰে অনবৰত সৰি পৰি গছৰ তল যেন ৰঙা-বগা চাদৰে ঢাকি দিছিল। দণ্ডকাৰণ্যৰ একাংশই সেই আশ্ৰমৰ প্ৰান্তভাগ শুৱনি কৰিছিল। মনোৰম স্থলপদ্মই আশ্ৰমক অধিকতৰ ৰঙা বৰণীয়া হোৱাত সহায় কৰিছিল। ছদ্মবেশী মাৰীচে মায়ামৃগৰূপ ধাৰণ কৰি যিদৰে অৰণ্যৰ গছ-গছনি বিনষ্ট কৰিছিল, সেই গছ-গছতন আকৌ যেন নিৰ্ভয়ে গজি উঠি অৰণ্যৰ শোভা দুগুণ বৃদ্ধি কৰিছিল। ৰামচন্দ্ৰৰ ধনুৰ দ্বাৰা গাঁত সৃষ্টি কৰা বননিক ওখ-চাপৰ ভূমিতে পৰিণত কৰিছে। আশ্ৰমৰ উপান্তভাগে সমিধ, কুশ, ফুল আৰু মাটি লৈ প্ৰবেশ কৰা আশ্ৰমৰ অধ্যয়নৰত মুনিকুমাৰসকলক দেখা পালোঁ। পানীৰ কলহ পূৰ্ণ কৰাৰ শব্দক ময়ুৰবিলাকে মেঘৰ গৰ্জন বুলি ভুল কৰিলে, আশ্ৰমত অনবৰত ঘৃতাহুতিৰ ফলৰ চাৰিওফালে এটা ধোঁৱাৰ আবৰ্তৰ সৃষ্টি হোৱা পৰিলক্ষিত হ'ল যেন অগ্নিদেৱতা খুশী হৈ মুনিসকলক স্বৰ্গ যোৱাৰ এটি জখলাৰূপ সেতু নিৰ্মাণ কৰিছিল। সমগ্ৰ আশ্ৰম পুখুৰীৰ দ্বাৰা পৰিবেষ্টিত আছিল, আৰু যেন তপস্বীসকলৰ কাৰণেই পুখুৰী নিৰ্মল হৈ পৰিছিল, সেই পুখুৰীবোৰৰ নিৰ্মল ঢৌৰ ওপৰত নিৰ্মল সূৰ্য্যকিৰণ পৰাত এনেকুৱা ধাৰণা হৈছিল যে জাবালী মুনিসকলৰ সৈতে যেন সপ্তৰ্ষিসকলে একেলগে গা ধুব আহিছে, আৰু তাতে উপজা ভেটফুলবেঙ্গাৰ নক্ষত্ৰসমূহক অনুকৰণ কৰিছিল। বনলতাবোৰে যেন বতাহত মূৰ দোৱাই প্ৰণাম জনাইছিল, গছবিলাকে নিজ নিজ পুষ্পেৰে অৰ্ঘ্য প্ৰদান কৰিছিল, ডালবোৰ পল্লৱৰূপে উপাসনা কৰিছিল, কুটীৰবোৰৰ চোতালত শ্যামাক ঘাঁহবোৰ শুকাৱলৈ দিয়া হৈছিল, আমলখি, লং, বগৰী, তাল, আম, জাম, কঠাল, লকুচ আদি যোগাৰ কৰি আশ্ৰমত ৰখা হৈছিল, আৰু ল'ৰাবোৰে স্বাধ্যায় অৰ্থাৎ উচ্চৈস্বৰে বেদপাঠ কৰি আছিল। ভাটৌবিলাকে সদায় শুনি অভ্যস্ত হৈ সেই মন্ত্ৰবোৰ অনৰ্গল উচ্চাৰণ কৰিছিল, বহুতো মইনা-শালিকাই ডাঙৰকৈ বেদপাঠ কৰিব পাৰিছিল, বনৰীয়া কুকুৰাবোৰে বলিপিণ্ড ভোজন কৰিছিল যি পিণ্ড বৈশ্বদেৱলৈ অৰ্পণ কৰা হৈছিল। হাঁহবোৰে নীবাৰ ধান ভক্ষণ কৰে, শিলত ভঙা নাৰিকলৰ পানীয়ে তলৰ শিলবোৰ পিচ্ছিল আৰু সদায় সিক্ত কৰি ৰাখিছিল, মাটিত ৰঙা চন্দনেৰে সূৰ্য্যমণ্ডলৰ চিত্ৰ অঙ্কন কৰা হৈছিল, বান্দৰবোৰে নিশ্চিন্তে বুঢ়া তপস্বীসকলৰ লগত খেলি আছিল, মুনিসকলৰ ভোজনৰ কাৰণে হৰিণবিলাকে শেলুক আৰু শিৰা খান্দি লৈ আনিছিল, পৰিচিত ময়ুৰ বিলাকে পাখিৰ বতাহেৰে মুনিসকলক হোমৰ জুই জ্বলোৱাত সহায় কৰিছিল, চতুৰ্দিকে চৰুৰ গোন্ধ বিয়পি পৰিছিল, আধা ৰন্ধা যজ্ঞীয় পিঠাৰ গোন্ধো বিয়পি পৰাত আশ্ৰমবাসী যজ্ঞ চলাকালীন পৰিবেশটো উপভোগ কৰিছিল। অতিথিসকলৰ পূজাৰ লগে লগে পিতৃশ্ৰাদ্ধ, দেৱপূজা, শ্ৰাদ্ধবিধি পাঠ, যজ্ঞশাস্ত্ৰৰ ব্যাখ্যা, ধৰ্মশাস্ত্ৰৰ আলোচনা, নানাবিধ পুথি পাঠ, শাস্ত্ৰৰ অৰ্থ বিচাৰ— এনে ধৰণে আশ্ৰমৰ প্ৰতিজন তপস্বীৰ ওপৰত বিভিন্ন দায়িত্ব ন্যস্ত আছিল। কোনোৱে কুটিৰ নিৰ্মাণ কৰিছিল, কোনোৱে আকৌ প্ৰাঙ্গন বা চোতাল লিপাৰ কামত ব্যস্ত আছিল, কোনোবাই আকৌ কুটিৰৰ ভিতৰৰ কামত আগভাগ লৈছিল। কোনোবাই ধ্যান, কোনোবাই আকৌ মন্ত্ৰসাধনা, বলি কৰ্মৰ যোগাৰ কৰা, কোনোৱে আকৌ মুক্ত ঘাঁহৰ দ্বাৰা মেখেলা তৈয়াৰ

# জাবালি মুনিৰ বৰ্ণন

আশ্ৰমৰ মাজত সেই অশোক গছৰ তলত ছাঁত বহি থকা ভগৱান মহৰ্ষি জাবালিক মই দেখা পালোঁ। মহামুনি জাবালি ঠিক যেন সাগৰেৰে পৰিবেষ্টিত ভূমণ্ডলৰ দৰে, কুল পৰ্বতবিলাকেৰে আবৃত সুমেৰু পৰ্বতসদৃশ, গৈৰিক বস্ত্ৰ পৰিহিত মুনিসকলৰ দ্বাৰা আবৃত হোৱাত যজ্ঞীয় বহ্নিৰে পৰিবৃত যজ্ঞৰ দৰে প্ৰতীয়মান হৈছিল, প্ৰলয়কালে দ্বাদশ আদিত্য পৰিবেষ্টিত প্ৰলয় দিৱসৰ দৰে, আৰু প্ৰলয় পৰিবেশিত অখণ্ড কালৰ দৰে মহৰ্ষি জাবালি অন্যান্য মুনিসকলৰ মাজত উপবেশন কৰি আছিল। উগ্ৰ অভিশাপৰ ভয়তে কম্পমানা নাৰীৰ দৰে তেওঁৰ শৰীৰ বাৰ্ধক্যজনিত কাৰণে কম্পমান আছিল, তেওঁ পকা চুলি, শিথিল ভ্ৰূকুটি, বাৰ্ধক্যজনিত কাৰণে থৰক-বৰক গতি, বাৰ্ধক্যজনিত কাৰণে গৌৰবৰ্ণ দেহত কলা তিলৰ চিনবোৰ প্ৰখৰ হৈছিল, তদুপৰি জাবালি মুনি দীঘল আৰু বগা জটাৰে সুশোভিত হৈ যেন তপস্যাৰ দ্বাৰা সৰ্বাগ্ৰগণ্য ৰূপে বিৰাজ কৰি আছে। তেওঁৰ কঁপালত অঙ্কিত ত্ৰিপুণ্ড্ৰক ৰেখা যেন হিমালয়ৰ প্ৰস্তৰ ফকলত গঙ্গাৰ ত্ৰিধা বিভক্ত সোঁত বেঁকা-বেকিকৈ বৈ গৈছে। তেওঁৰ শিথিল ভ্ৰূযুগল প্ৰায় চকুৰ ওপৰত নামি আহিছিল। অনবৰত মন্ত্ৰ উচ্চাৰণৰ ফলত ওঁঠ দুটা ফাঁক হোৱাত বগা দাঁতৰ পংক্তি তেওঁৰ মুখশ্ৰী আৰু উজ্বল কৰি তুলিছিল, তেওঁৰ এই দন্তপংক্তিক নিৰ্মল ইন্দ্ৰিয় বৃত্তিৰ দৰে, বিদ্যাৰ গুণৰ দৰে আৰু দয়াৰ সোঁতৰ লগত তুলনা কৰা হৈছে। সোমৰস পাণ কৰাৰ কাৰণে অনবৰত তেওঁৰ উগাৰৰ সুগন্ধি নিশ্বাসত আকৃষ্ট ভোমোৰাবোৰ তেওঁৰ মুখৰ ওচৰত উৰি ফুৰিছিল, ক্ষীণ শৰীৰত তেওঁ ভীষ্ম হনু আৰু উন্নত নাক বিশিষ্ট আছিল, তপঃ প্ৰভাবে তেওঁৰ চকুৰ তৰা দুটি উগ্ৰ আছিল, নোমবোৰ জীৰ্ণ আৰু পাতল হ'লেও নাভিলৈকে দাড়ি আৰু দীঘল নোমেৰে কৰ্ণকুহৰ আবৃত আছিল। প্ৰবল ইন্দ্ৰিয় সংযমী তেওঁৰ কান্ধৰ হাড়বোৰ ওখ হৈছিল আৰু বগা এডাল লগুণ তেওঁৰ কান্ধত ওলমি আছিল। এওঁৰ জপমালা আছিল নিৰ্মল স্ফটিক টুকুৰাৰে নিৰ্মিত, যিখিনি তেওঁ সদায় আঙুলিৰ তলত ৰাখি মন্ত্ৰ জপৰ লগে লগে গণনাপূৰ্বক পৰিবৰ্তন কৰিছিল, জাবালি আছিল ধ্ৰুৱ নক্ষত্ৰ দৰে। পৰিপক্ক লতাসমূহৰ দ্বাৰা আবৃত কল্পবৃক্ষৰ দৰে জাবালিও বয়সৰ পৰিপক্কতা হেতু ওখ ওখ ডাঠ শিৰাবোৰৰ দ্বাৰা আবৃত আছিল। তেওঁৰ পৰিধানত আছিল পৰম পবিত্ৰ পাটৰ কাপোৰৰ দৰে নিৰ্মল এখন বল্কল। সমুখতে গঙ্গাৰ পানীৰে পৰিপূৰ্ণ স্ফটিকেৰে নিৰ্মিত এটি কমণ্ডলু ত্ৰিদণ্ডীৰ ওপৰত ৰখা আছে আৰু তাৰ কাৰণে জাবালি মুনিক ৰাজহাঁহেৰে পৰিবেষ্টিত প্ৰস্ফুটিত বগা পদুমৰ দৰে দেখা গৈছিল, তেওঁৰ তেজত আছিল সূৰ্য্যসম, স্থৈৰ্য্যে পৰ্বতসম, গাম্ভীৰ্য্যে সাগৰসম, শমগুণে চন্দ্ৰসম আৰু নিৰ্মলতাৰে আকাশক যেন বিভক্ত কৰিছিল। গৰুড় পক্ষী যিদৰে নিজৰ ক্ষমতাৰ বলত সমগ্ৰ পক্ষীকুলৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব সক্ষম হৈছিল ঠিক তেনেদৰে জাবালি মুনিও নিজ তেজোপ্ৰভাৱে আশ্ৰমৰ মধ্যমণি ৰূপে আধিপত্য লাভ কৰিছিল। তেওঁ আছিল ব্ৰহ্মাসদৃশ চাৰি আশ্ৰম অৰ্থাৎ ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্ত আৰু সন্যাস— এই চাৰি আশ্ৰমৰ নিয়ন্তা। তেওঁ সাপৰ মোটৰ দৰে ধৱল জটাৰে আবৃত আছিল, হাতীৰ কাণৰ দৰে তেওঁৰ কাণ দুখন দীঘল নোমেৰে আচ্ছাদিত আছিল, বৰ্ধিত চুলিকোচাৰ লগতে সূৰ্য্য মণ্ডলৰ দ্বাৰা দীপ্তিমান প্ৰথম দিবাভাগৰ দৰে তেওঁৰ মুখমণ্ডলো দীপ্তিমান আছিল। শৰৎকালৰ কমি অহা বৰষুণৰ দৰে জাবালিৰ বয়সৰ উৰ্দ্ধসীমা ক্ৰমে ক্ৰমে কমি আহিছিল। পিতৃ শান্তনুৰ প্ৰিয়পাত্ৰ ভীষ্মৰ দৰে সত্য বাক্য আৰু সত্য ব্যৱহাৰ জাবালিৰ প্ৰিয় আছিল। শিৰনেত্ৰ আচ্ছাদনে পাৰ্গত পাৰ্বতীৰ ন্যায় জাবালিও ৰুদ্ৰাক্ষৰ মালা ধাৰণে পাৰঙ্গম আছিল। শীতকালৰ সূৰ্য্য যিদৰে উত্তৰফালে গতি কৰে, জাবালিও কান্ধত উত্তৰীয় বস্ত্ৰ ধাৰণ কৰিছিল। বাড়বানলে যিদৰে সদায় সমুদ্ৰৰ পানী পাণ কৰে, জাবালিও সদায় কেৱল গাখীৰ পানে তৃপ্ত হৈছিল। তেওঁ আছিল দৰিদ্ৰ, অনাথ আৰু বিপন্নসকলৰ আশ্ৰয়।

এনেদৰে চিন্তামগ্ন হৈ থাকোতেই হাৰীতে মোক সেই ৰঙা অশোক গছৰ ছাঁত নমাই ৰাখি পিতা মহৰ্ষি জাবালিক ভৰি দুখন স্পৰ্শ কৰি প্ৰণাম জনালে আৰু ওচৰতে এখন কুশাসনত বহিল। মোক দেখি বাকী সকলো মুনি হাৰীতক জিজ্ঞসা কৰিবলৈ ধৰিলে— "এই ভাটৌ পোৱালীটো ক'ত পালা?" তেন্দ্ৰিতয়া হাৰীতে তেখেতসকলৰ আগত মোক কেনেকৈ লাভ কৰিছে, সবিস্তাৰে বৰ্ণনা কৰি ক'লে— তাতে এই মুমুৰ্শ পক্ষীটোক গছৰ বাহত ৰাখি অহা অসম্ভৱ বুলি দয়াবশতঃ মই ইয়াক লগতে লৈ আহিছোঁ। সেয়েহে পাখি নগজালৈকে ই আমাৰ আশ্ৰমতে থাকিব আমাৰ সকলোৰে সহায়তে নীবাক ধানৰ কণ আৰু ফল-মূলৰ ৰসেৰে প্ৰতিপালিত হৈ জীৱন ধাৰণ কৰক। আমাৰ ন্যায় মানুহসকলৰ, অনাথসকলৰ প্ৰতিপালন কৰাই ধৰ্ম। পাখি গজিলে আৰু আকাশত উৰিবলৈ সমৰ্থ হ'লে ই নিজৰ ইচ্ছামতে উৰি যাব পাৰে অথবা ইয়াতো থাকি যাব পাৰে। মোৰ সম্বন্ধে এনেকুৱা কথা-বতৰা পাতি থাকোতে জাবালি মুনিও শুনা পালে আৰু তেওঁৰো মোৰ সম্পৰ্কে জানিবলৈ কৌতুহল জন্মাত বাৰে বাৰে মোৰ ফালে চাই ক'লে— "এই ভাটৌ পোৱালীটোৱে নিজৰ অসদাচৰণৰ ফল ভোগ কৰি আছে।" সেই ত্ৰিকালদৰ্শী ভগৱান জাবালি, তপস্যাৰ বলত যিজনে যিকোনো প্ৰাণীৰ ভূত, ভৱিষ্যত, বৰ্তমানৰ কথা নিৰ্ভুলৰূপে জ্ঞাত হৈ ক'ব পাৰে, প্ৰাণীবিলাকৰ আয়ুৰ সংখ্যাও জনাব পাৰে, তেনেধৰণৰ মহাতপস্বীৰ এইৰূপ মন্তব্য উপস্থিত মুনিসকলৰ মাজত কৌতুহলৰ সৃষ্টি কৰিলে আৰু কৌতুহলান্বিত হৈ ভগৱান জাবালিক সকলোৱে বাৰে বাৰে অনুৰোধ কৰিবলৈ ধৰিলে— "হে প্ৰভু, আপুনি প্ৰসন্ন হৈ আমাক কওক— এই ভাটৌ পক্ষীটো কেনেকুৱা অন্যায় আচৰণৰ ফল ভোগ কৰি আছে, জন্মান্তৰত ই কেনেকুৱা আছিল, পক্ষী জাতিতেই ইয়াৰ উৎপত্তিৰ কাৰণ কি, ইয়াৰ নাম কি— এই সকলো বিষয়ে কৈ আমাৰ কৌতুহল নিৰসন কৰক— সকলো আঁচৰিত ঘটনাৰ মূল উৎসৰ কথা আপুনিয়ে ক'ব পাৰিব।"

মুনিসকলৰ প্ৰাৰ্থনাৰ উত্তৰত মহৰ্ষি জাবালিয়ে এইদৰে ক'লে— "এই



কাহিনী অতি মহৎ আৰু আঁচৰিত, দিনৰ অলপমান সময় বাকী আছে, আমাৰ গা ধোৱাৰ সময়ো উপস্থিত। গতিকে আপোনালোকেও আপোনালোকৰ দৈনন্দিন কৰ্মাবলি যথাযথ সমাপন কৰি সন্ধ্যা অতীত হ'লে আপোনালোকে ফলাহাৰ কৰি শান্তিতে বহিলে মই প্ৰথমৰ পৰাই সকলো বৃত্তান্ত আপোনালোকক অবগত কৰাম— এই ভাটৌ পোৱালীটো পূৰ্বজন্মত যি আছিল আৰু যি কৰ্ম কৰিছিল আৰু ইহলোকে ইয়াৰ যিদৰে উৎপত্তি হৈছে ইত্যাদি। তেতিয়ালৈকে এই ভাটৌ পক্ষীটোক কোনো আহাৰ পৰিবেশন কৰিব নালাগে। মই (জাবালি) ইয়াৰ কাহিনী ক'বলৈ ধৰিলে নিশ্চয় এই পোৱালীটোৱে স্বপ্নলব্ধৰ দৰে পূৰ্বজন্মৰ সকলো বৃত্তান্ত আৰম্ভণিৰ পৰা মনত পৰিব"— এইবুলি কৈ মহৰ্ষিয়ে উপস্থিত সকলো মুনিৰ সৈতে উঠি স্নান আদি নিত্যকৰ্ম কৰিবলৈ ধৰিলে।

ইতিমধ্যে দিনান্ত উপস্থিত হোৱাত স্নান সমাপন কৰি সূৰ্য্যাৰ্ঘ দিয়াৰ সময়ত মুনিসকলে যি ৰঙা চন্দন ভূতলে দিছিল, তাৰেই প্ৰকাশ যেন অস্তগামী সূৰ্য্যৰ ৰঙীন প্ৰভাৰ ছটাত আকাশত প্ৰতিবিম্বিত হ'ল। উষ্ণতাপ পাণকাৰী মুনিসকলৰ তেজপুঞ্জ পাণ কৰাত সূৰ্য্যদেৱে যেন উষ্ণতা হেৰুৱাই ক্ষীণ হৈ পৰিল। সপ্তৰ্ষি মণ্ডলক পৰশ নকৰাৰ ছলেৰে সূৰ্য্যই যে ইচ্ছা কৰি কিৰণ সংকোচন কৰি আকাশৰ পৰা নামি ঈষৎ ৰঙা কিৰণ জালেৰে পশ্চিম সাগৰত অস্তমিত হ'ল। সূৰ্য্য অস্তমিত হোৱাৰ ঠিক পূৰ্বে কিছু সময়ৰ কাৰণে মুনিসকলে ৰক্তিম সূৰ্য্য কিৰণ পতিত হোৱাৰ ফলত সেই আশ্ৰমৰ গছবিলাকৰ ওপৰত ৰঙা বৰণীয়া গছৰ বাকলিৰ পোচাক আঁৰি থোৱা যেন দেখা গ'ল।

লাহে লাহে আশ্ৰমত সন্ধ্যা নামি আহিল, মুনিসকল সন্ধ্যা বন্দনাত ব্যস্ত হ'ল, ৰঙা চকুৰ মণিৰে কপিলী গাই গৰুৰ দৰে ক'ৰবাত ঘূৰি-ফুৰি গধূলি ঘৰলৈ উভতি অহাৰ দৰে ৰঙা নক্ষত্ৰসমূহ লৈ ধূম্ৰবৰণীয়া সন্ধ্যা দিনান্তে পুনৰ আশ্ৰমত আহি উপস্থিত হ'ল। অলপ আগতে সূৰ্য্য অস্ত যোৱাত শোকাচ্ছন্ন পদুমে পদুম কলিৰ কমণ্ডলু, হংসৰূপ বগা কাপোৰ, পদুমৰ মৃণালৰূপ বগা লগুণেৰে, ভোমোৰা সদৃশ জপমালা ধাৰণ কৰি

# শুকনাসোপদেশ

ৰজা তাৰাপীড়ে এইদৰে কিছুদিন অতিক্রান্ত হ'লে চন্দ্ৰাপীড়ক যুৱৰাজপদত অভিসিক্ত কৰাৰ মানসে দুৰ্ব্বীবিলাকক অভিষেকৰ সামগ্ৰীবোৰ সংগ্ৰহ কৰিবৰ কাৰণে আদেশ দিলে। ক্ৰমে চন্দ্ৰাপীড়ৰ যৌৱৰাজ্যাভিষেকৰ সময় সন্নিকট হ'লে চন্দ্ৰাপীড়ে বৃদ্ধ বয়োজ্যেষ্ঠ মন্ত্ৰী শুকনাসৰ ওচৰত উপস্থিত হ'ল। যদিও চন্দ্ৰাপীড় বিনয়ী আছিল তথাপি তেওঁক অধিক বিনয়ী কৰিবলৈ ইচ্ছা কৰি বিশদভাৱে ক'বলৈ ধৰিলে— “বোপা চন্দ্ৰাপীড়, তুমি জানিবলগীয়া সকলো বিষয় অবগত হৈছা, সকলো শাস্ত্ৰত জ্ঞান অৰ্জন কৰিছা, গতিকে তোমাক অলপো উপদেশ দিবলৈ নাই। কেৱল স্বাভাৱিকভাৱে যৌৱনকালত যি ঘোৰ আন্ধাৰ উৎপন্ন হয়— সূৰ্য্যই তাক ৰোধ কৰাৰ শক্তি প্ৰয়োগ কৰিব নোৱাৰে, ৰত্নৰ পোহৰেও সেই আন্ধাৰ দূৰীভূত নহয়, চাকিৰ পোহৰেও তাক নাইকিয়া কৰাত ব্যৰ্থ হয়। সম্পদৰ গৰ্ব ভয়ানক ৰূপ ধাৰণ কৰিব পাৰে, শেষ জীৱনলৈকে এই মিথ্যা অহংকাৰৰ উপশম নহয়। ধন-সম্পত্তিৰ প্ৰতি অতিৰিক্ত মোহজনিত অন্ধতা বেলেগ ধৰণৰ, এই কষ্টকৰ অন্ধতা অঞ্জন শলাকাৰেও প্ৰতিকাৰ কৰিব নোৱাৰা, ধনৰ গৰ্বৰূপ দাহজ্বৰত যি উষ্ণতা জন্মে, অতি শীতল বস্তুৰ প্ৰয়োগেও তাৰ পৰা ৰক্ষা পোৱা টান। বিষয়ৰূপ বিষয় উপভোগৰ যি মোহ, তাক বেলেগ ধৰণে অৰ্থাৎ মন্ত্ৰেৰে নিবাৰণ কৰিব নোৱাৰি। নিত্যস্নান কৰিও বিষয় আসক্তিৰূপ মল গুচাব নোৱাৰি। ৰাজ্যসুখৰ অনুভৱৰূপ নিদ্ৰা ইমানেই ভয়ঙ্কৰ, ৰাতি শেষ হ'লেও সেই নিদ্ৰাৰ পৰা সাৰ পোৱা নাযায়। এই কাৰণে আসন্ন বিপদৰ পৰা ৰক্ষা পোৱাৰ কাৰণে তোমাক সাৱধান কৰি কোৱা হৈছে— জন্মাৱধি ধনৰ অধিকাৰী হোৱা, নৱ যৌৱন, অপ্ৰতিম ৰূপ আৰু অলৌকিক শক্তি— এই আটাইবোৰেই হৈছে বিপদৰ কাৰণ। সতৰ্ক নহ'লে এই লানি লগা বিপদৰ পৰা ৰক্ষা পোৱা টান। ইহঁতৰ একোটাই সকলো অনৰ্থৰ কাৰণ হ'ব পাৰে, আকৌ ইহঁতৰ আটাইবোৰ একেলগ হ'লেতো আৰু কথাই নাই। এই বিপদ কেইটাৰ একোটাই সকলো অনৰ্থৰ কাৰণ যেনে যৌৱনকাল, শাস্ত্ৰজ্ঞ হ'লেও মানুহৰ বুদ্ধি যৌৱনকালত কলুষতা প্ৰাপ্ত হয়। যুৱকসকলৰ দৃষ্টি স্বচ্ছ হ'লেও ৰাগন্বিত হৈয়েই থাকে। যৌৱনকালত ৰজোগুণৰ প্ৰভাৱত স্বাভাৱিকতেই ভ্ৰমৰ সৃষ্টি হয়; তেতিয়া প্ৰৱল ঘূৰ্ণি বতাহে যিদৰে শুকান পাতবোৰ অতি দূৰলৈ লৈ যায়, সেইদৰে যৌৱনৰ সময়োচিত স্বভাৱে নিজ খুচিমতেই মানুহক অতি দূৰলৈ লৈ যায়। উপভোগৰ নেশা এনেকুৱা বস্তু যি মানুহৰ ইন্দ্ৰিয়ৰূপ হৰিণবোৰক অপহৰণ কৰে। কেহাঁ বস্তু খোৱাৰ পিছত পানী খালে যিদৰে মিঠা লাগে, তেনেদৰে নৱযৌৱনত ৰাগ, দ্বেষ আদি যুক্ত চিত্তত কামিনী কাঞ্চন উপভোগ কৰাৰ নেশাও প্ৰৱল হয়। ভুল পথৰ নিৰ্দেশ যিদৰে মানুংক কু-পথলৈ লৈ যাব পাৰে, ঠিক তেনেকৈ বিষয়ভোগৰ আসক্তিয়ে মানুহক অধঃপতিত কৰে। তোমালোকৰ দৰে লোকসকলেহে উপদেশৰ যোগ্য মূল্য নিৰ্ধাৰণ কৰিব পাৰে। কাৰণ নিৰ্মল স্ফটিকত সহজতে চন্দ্ৰৰ কিৰণ প্ৰবেশ কৰাৰ দৰে নিৰ্মল হৃদয়তে উপদেশবোৰৰ গুণাগুণ পৰিলক্ষিত হয়। গুৰুৰ উপদেশবাণী অতিশয় মঙ্গলকাৰী হ'লেও, অমতৰ বাবে ই কাণত পানী প্ৰবেশ কৰাৰ দৰে বেদনাদায়ক হয়। সন্ধ্যা সময়ত চন্দ্ৰই যিদৰে বহু ঠাইৰ আন্ধাৰ দূৰ কৰে, গুৰুৰ উপদেশো তেনেকৈ বহুদোষ আঁতৰ কৰে। বাৰ্দ্ধক্যই যিদৰে চুলিবোৰক নিৰ্মল আৰু ধবল কৰে, গুৰুৰ উপদেশো তেনেকৈ অন্তৰ ইন্দ্ৰিয়ক দমন কৰি দোষসমূহ নিৰ্মল কৰি গুণত পৰিণত কৰে। তুমি (চন্দ্ৰাপীড়) এতিয়াও কোনো বিষয় সুখত নিমজ্জিত হোৱা নাই, গতিকে তোমাক উপদেশ দিয়াৰ এইটোৱেই উপযুক্ত সময়। কাৰণ, কামদেৱৰ শৰে বিদ্ধ হোৱা হৃদয়ত উপদেশবাণী সমূহ পানীৰ দৰে ছিটিকি পৰে। দুশ্চৰিত্ৰ লোকৰ বিনয় বুলি শব্দটোৰ জ্ঞান আশা কৰিব নোৱাৰো। গুৰুৰ উপদেশ হৈছে মানুহৰ মনৰ সমস্ত আৱৰ্জনা ধুই নিকা কৰিব পৰা পানী ব্যতিৰেকে স্নান। ই মানুহৰ বাৰ্ধক্য স্বৰূপ। এই জ্ঞানবৃদ্ধত্ব চুলিৰ পক্কত্ব আৰু দেহৰ

অৱস্থাৰ উন্নতি সাধন কৰিলেও মানুহ নীচ স্বভাৱযুক্ত হয়, সাগৰত জন্ম লোৱাৰ পিছতো অতিমাত্ৰাত তৃষ্ণাৰ্ত হোৱা পৰিলক্ষিত হয়, শিৱত্ব ধাৰণৰ পিছতো অশিৱ আচৰণ, বল বৃদ্ধি হ'লেও লঘুতা দেখা যায়, অমৃতৰ সহোদৰা হৈয়ো তিক্ত স্বাদবিশিষ্ট, বিগ্ৰহধাৰিণী হৈয়ো অদৃশ্যা, পুৰুষোত্তম কৃষ্ণৰ প্ৰতি আসক্ত হৈয়ো দুৰ্জনক ভাল পায়, ধূলিময়ী হৈয়ো নিৰ্মল বস্তুক মলিন কৰে, এই লক্ষ্মী যিদৰেই উদ্ভাসিত হওক, সেইভাৱেই দীপশিখাৰে তৈৰী কাজলসদৃশ মালিন্যতাৰ সৃষ্টি কৰে, সেয়েহে এই লক্ষ্মী বিষয়ক লোভৰূপী বিফলতাৰ সংবৰ্ধক পানী সোণৰ দৰে, ইন্দ্ৰিয়ৰূপ হৰিণবিলাকৰ বাবে ব্যাধৰ গান, মোহৰূপী দীঘলীয়া টোপনিৰ বিলাস শৰ্য্যা স্বৰূপ, কৃপণৰূপী পিশাচবিলাকৰ বাবে জীৰ্ণ কুটিৰ, শাস্ত্ৰৰূপ চকুৰ কাৰণে নেত্ৰৰোগ স্বৰূপ, সকলো প্ৰকাৰ বেয়া কামৰ বাবে উৰুৱা পতাকা, ক্ৰোধৰ উৎপত্তি স্থল, বিষয় সম্ভোগ ৰূপ উপভোগ কৰাৰ ঠাই, ভ্ৰূকুটিৰূপ অভিনয়ৰ আগাৰ (ঘৰ), কামাদিদোষৰূপ বিষধৰ সৰ্পকুলৰ আস্থান, সৎপুৰুষসকলৰ শিষ্ট ব্যৱহাৰ ৰোধ কৰাৰ কাৰণে বেত্ৰদণ্ড, গুণৰূপ কলহংসবিলাকৰ কাৰণে অসময়ৰ বাৰিষাকাল, লোকনিন্দাৰূপ বদ্‌গুণৰ বিস্তাৰভূমি, কপটাচৰণ ৰূপ নাটকৰ প্ৰস্তাৱনা যেন, কামৰূপ হস্তীৰ বাবে কলৰ বন সদৃশ, সৌজন্য বধৰ ঠাই, আৰু ধৰ্মাচৰণৰূপ চন্দ্ৰমণ্ডলৰ কাৰণে এই লক্ষ্মী ৰাহুৰ জিভাস্বৰূপ। মই (শুকনাসে) এনেকুৱা এজনক পোৱা নাই যিজনে লক্ষ্মীৰ দ্বাৰা প্ৰতাৰিত হোৱা নাই। চিত্ৰত অঙ্কিত হ'লেও এই লক্ষ্মী নাথাকে, মাটি বা কাঠৰ পুতলাৰ দৰে সাজি থ'লেও যাদুৰ ন্যায় ব্যৱহাৰ কৰে, শিলত খোদিত হ'লেও ছলনাময়ী ৰূপে প্ৰতিভাত এনেকুৱা দুৰাচাৰী লক্ষ্মীৰ দ্বাৰা আশ্ৰিত হৈ ৰজাসকল দুৰাচাৰী আৰু এলেহুৱা হৈ পৰে। সেয়েহে, অভিষেকৰ সময় অত্যন্ত গুৰুত্বপূৰ্ণ সময়। এই সময়তেই মঙ্গলঘটৰ পানীৰেই যেন এওঁলোকৰ দয়া-মমতা ধুই নিকা কৰা হয়, হোমৰ ধোঁৱাৰেই যেন এওঁলোকৰ হৃদয়ৰ মালিন্যতা গুচি যায়, পুৰোহিতৰ কুশাগ্ৰভাগৰ সহায়তে যেন ক্ষমাগুণ দূৰ কৰা হয়, পাগুৰিতেই যেন বাৰ্দ্ধক্যৰ আগমনৰ চিন্তা আবদ্ধ থাকে, ছত্ৰসমূহৰ সঞ্চালনে যেন জন্মান্তৰৰ ভাৱনা প্ৰতিহত কৰে, চোঁৱৰৰ বতাহৰেই যেন



সত্যবাদিতা অপহৃত হয়, বেতৰ লাঠিৰেই দয়া-দাক্ষিণ্য আদি গুণসমূহ বিতাড়িত হয়, জয়ধ্বনিৰ কোলাহল যেন সৌজন্যৰূপ প্ৰশংসাক তল পেলাই দিয়ে, আৰু ধ্বজৰূপ বিশাল পতাকাৰেই যেন সকলো যশ মচি পেলোৱা হয়। এই সম্পদ ক্লান্ত শিথিল হৈ পৰা চৰাইৰ গলৰ দৰে চঞ্চল আৰু জোনাকী পৰুৱাৰ পোহৰৰ দৰে ক্ষণিককালৰ বাবে স্থায়ী আৰু সুন্দৰ। ই জ্ঞানীসকলৰ দ্বাৰা সদায় নিন্দিত, এনে সম্পদৰ দ্বাৰা কিছুমান ৰজা লোভৰ বশৱৰ্তী হৈ নিজৰ সৰ্বনাশ কৰে, এওঁলোক সামান্য ধন লাভৰ আশাত নিজৰ কথা পাহৰি দূষিত তেজেৰে ক্লিষ্ট যেন প্ৰৱল বিষয়াসক্তিতে আচ্ছন্ন হৈ কষ্ট ভোগ কৰে। মাত্ৰ পাঁচটা ইন্দ্ৰিয়ৰ সহায়েৰে সহস্ৰ বিষয়াসক্তিৰে আক্লিষ্ট হৈ এই ৰজাসকলে শাৰীৰিক আৰু মানসিক যাতনা ভোগ কৰে। স্বভাৱচঞ্চল মন বিভিন্ন বিষয়ৰ পাছে দৌৰি দৌৰি সহস্ৰাধিক সংখ্যা প্ৰাপ্ত হয়। এই প্ৰভাৱ ৰজাসকলৰ মনত এনেকুৱা বিহ্বলতাৰ সৃষ্টি কৰে যেন গ্ৰহই গ্ৰাস কৰা, ভূতে লম্ভা, মন্ত্ৰশক্তিৰ দ্বাৰা সহজেই বশীভূত হৈ যোৱা, হিংস্ৰ জন্তুৰ দ্বাৰা বাধাপ্ৰাপ্ত হোৱা, সামান্য বায়ুৰ সঞ্চালনেও বিচলিত হোৱা, পিশাচৰ দ্বাৰা আক্ৰান্ত হোৱা, কামদেৱৰ শৰৰ দ্বাৰা মৰ্মাহত হৈ এওঁলোকে মুখবিকৃতি কৰি থাকে, ধনৰ গৰ্বৰে গৰ্বিত এওঁলোক ধনৰ প্ৰচণ্ড কোব সহ্য কৰিব নোৱাৰি তেওঁলোকৰ দেহ অঙ্গ মন সব ভাগি-চিগি যায়, কেকোঁৰাৰ দৰে তেওঁলোকৰ বক্ৰগতি চকুত পৰে, ৰজাসকলে কৰ্তব্যৰ পৰা বিচ্যুত হয়, মিছা কথা কোৱা বাবে এওঁলোকে মুখৰ ৰোগত কষ্ট পায়, ৰজোগুণৰ প্ৰভাৱে প্ৰভাৱিত ৰজাসকল প্ৰজাসকলৰ দুখৰ কাৰণ হয়, মুমূৰ্ষু মানুহৰ দৰে এওঁলোকে আত্মীয়, বন্ধু কাকো চিনি নাপায়, এওঁলোকে তেজস্বী লোকলৈ কেতিয়াও দৃষ্টিপাত নকৰে, কালসৰ্পে দংশন কৰা মানুহৰ জ্ঞান যেনে মহামন্ত্ৰইয়ো ঘূৰাই দিব নোৱাৰে, ৰজাসকলে তেনেকৈ উৎকৃষ্ট জ্ঞান অমূলক ভাবি নিজৰ কৰ্তব্যত অৱহেলা কৰে, লাক্ষা যেনেদৰে জুইৰ উত্তাপ সহ্য কৰিব নোৱাৰে ঠিক তেনেদৰে তেওঁলোকেৰতাপ স বান্ধি ৰখা দুষ্ট হাতীয়ে যেনেদৰে অবাধ্যতা কৰে, অহংকাৰী অভিমানী ৰজাসকলেও কাৰো উপদেশ মানিবলৈ যত্ন নকৰে, ধনাকাংক্ষাৰূপ বিষয় জ্বৰত আক্ৰান্ত তেওঁলোক সকলো

যাতে কামুকসকলে তোমাৰ পৰা দূৰত থাকে, কৰ্মদক্ষসকলে তোমাক বিদ্রূপ কৰিব নোৱাৰে, ধূৰ্তসকলে বঞ্চনা কৰিব নোৱাৰে, তিৰোতাসকলৰ পৰা যাতে দূৰত থাকিব পাৰা, লক্ষ্মীয়ে তোমাক পৰিত্যাগ কৰিব নোৱাৰে, অহংকাৰে তোমাৰ অনিষ্ট কৰিব নোৱাৰে, আৰু কোনো আসক্তিয়ে তোমাক আকৰ্ষণ নকৰে। তুমি স্বাভাৱিকৰূপেই ধীৰ-স্থিৰ আৰু তোমাৰ পিতৃয়ে তোমাক অতি যত্নেৰে সকলো প্ৰকাৰ শিক্ষাত শিক্ষিত কৰি তুলিছে। ধন-সম্পত্তিয়ে চঞ্চলিত আৰু অনভিজ্ঞজনক উন্মাদ কৰে, তথাপি তোমাৰ গুণৰাশি মোক (শুকনাসক) আকৃষ্ট কৰিছে। তোমাক পুনৰ্বাৰ মই এই উপদেশ দিওঁ যে এই দুশ্চৰিত্ৰ লক্ষ্মীৰ প্ৰভাৱত মানুহ বিদ্বান, সচেতন, বলবান, উচ্চকুলোদ্ভৱ, ধীৰ স্বভাৱ আৰু যত্নশীল হ'লেও দুৰ্জন হৈ যায়। পিতৃ তাৰাপীড় ৰজা তোমাক নতুন যুৱৰাজ পদত অভিসিক্ত কৰিছে— তুমি এই মাঙ্গলিক কাৰ্যত অংশ গ্ৰহণ কৰাৰ উপৰিও স্বাত্ত্বিক অনুভৱ উপলব্ধি কৰা, পূৰ্বপুৰুষসকলৰ দ্বাৰা পালন কৰি অহা গুৰুদায়িত্ব বৰ্তমানে তোমাৰ ওপৰত ন্যস্ত। সেইটো তুমি বহন কৰা, শত্ৰুসকলৰ অৱনতি আৰু বন্ধুবৰ্গৰ উন্নতি সাধন কৰা, এই সপ্তদ্বীপা পৃথিৱীক তোমাৰ পিতা জয় কৰিলেও অভিষেকৰ পশ্চাৎ তুমি আকৌ দ্বিগ্বিজয় কৰি সাফল্য অৰ্জন কৰা— এই আশীৰ্বাদ কৰিলোঁ। এয়েই তোমাৰ শৌৰ্য্য আৰু প্ৰতাপ বিস্তাৰ কৰাৰ উপযুক্ত সময়। ৰজা প্ৰতাপশালী হ'লেহে ত্ৰৈলোক্যদৰ্শী মহাযোগীৰ দৰে তেওঁৰ আদেশ অপ্ৰতিহত হয়"— এইখিনি উপদেশ দি শুকনাস ক্ষান্ত হ'ল।

শুকনাসৰ এইবিলাক উপদেশে চন্দ্ৰাপীড় যেন বিধৌত, মসৃণীকৃত, অভিষিক্ত, অলংকৃত আৰু আনন্দে উদ্ভাসিত হৈ পৰিল। পিছত অলপ দেৰি নিৰৱে থাকি চন্দ্ৰাপীড় ৰাজভৱনত প্ৰস্থান কৰিলে।



# कादम्वरी कथामुखम्

**व्याख्या (Explain with reference to the Content)**

1. आसीदशेष–नरपति–शिर: – समभ्यर्चितशासन : पाकशासन इवापर:, चतुरूदधिमाला–मेखलाया भूवो भर्त्ता, प्रतापानुरागावनत–सन्त–चक्र:, चक्रवर्तिलक्षणोपेत:, चक्रधर इव करकमलोपलक्ष्यमाण–शङ्ख–चक्र–लाञ्छन: ।।

**व्याख्या :—**

महाकवि वाणभट्ट विरचिताया: 'कादम्वरी' इत्याख्याया: कथाया: कथामुखे महाराजस्य शूद्रकस्य गुणोत्कर्ष वर्णनावसरे कविना लिखितमिदं वाक्यम्।

अत्र कविना महाराजस्य शुद्रकस्य गुणा: प्रदर्शिता:। यथा प्रथमत: सर्वराजपूज्य:, द्वितीयत: स इन्द्रतुल्य:, तृतीयत: स पृथिवीशासक:, चतुर्थत: स राजचक्रवर्त्ती, पञ्चमत: विष्णुसदृश:।

विदिशायां य: शुद्रक इति नरपतिरासीत्, स केवल नासीत् विदिशाधिपति:, सर्वे नृपतिभि: मस्तकै स्तस्यादेश: पालित: सर्वे तस्य शासन श्रद्धया सम्मानेन च पालितवन्त: अत: स महाप्रभावशाली दिग्विजयी राजा इत्याशय:।

पुनरपि भूमण्डलस्य चतसृषु दिक्षुस्थितानां सागरानां पंक्तिरेव यस्या मेखला तस्या: सागरमेखलाया: पृथिव्या: स पतिरेक:। अत: स भुवनपालक: एकच्छत्राधिपतिरिति भाव:।

शूद्रकस्य माहात्म्यं प्रकटीकरणाय कथयति, यथा पाकदैत्यं निहत्य इन्द्रो निरूपद्रवं स्वर्गराज्यं भुनक्ति तथैव शूद्रक अरातिरूपान् सर्वान नृपतीन् विजित्य असपत्नं (অসপত্নং) पृथिवीराज्यं शासति।

वाचकानि। शब्दानाम् अन्वयः।

अतः शूद्रके मनसादि गुण वैशिष्टयेन धर्म, यम-कुवेर-बह्नि-पृथ्वी-लक्ष्मी-सरस्वती-चन्द्र-वायू-वृहस्पति-मदन-सूर्यानां देवतानां प्रभावान् संलक्ष्य स विश्वरूपधारिणं नारायणमनुकरोति इत्यनुमीयते।

अत्र उपमालंकारः। तल्लक्षणं यथा-साम्यं वाच्यमवैधर्म्यं वाक्यैके उपमा द्वयोः।

**व्याख्या - 4**

अतिचिरकाललग्नमतिक्रान्त कुलनृपति सहस्र सम्पर्क कलंकमिव क्षालयन्ती यस्य विमले कृपाणधाराजले चिरमुवास राजलक्ष्मीः।

महाकवि वाणभट्ट विरचितायाः 'कादम्वरी' इत्याख्यायाः कथायाः कथामुखे महाराजस्य शूद्रकस्य गुणोत्कर्षवर्णनावसरे कविना लिखितमिदं वाक्यम्।

अत्र शूद्रकस्य राजलक्ष्याः चिरवासः कारणं निर्णयन् कथयति।

अतिचिरकालादवधि लग्नम् आत्मनि संयुकम् अतिक्रान्तम् अतीतं यत् कुनृपति सहस्रं कदर्यराजसमूहः तस्म सम्पर्केण संसर्गेण यः कलंकं दूषितचिन्हं पापञ्च तम्, क्षालयन्तीव प्रक्षालनेन दूरीकुर्वतीव यस्य शूद्रकस्य विमले निर्मले कृपा धारा खड्गस्य निशितांश एव जलं तस्मि अपरेऽपि देहलग्नं पङ्कादिकं जलेन क्षालयति। असिवलेन शूद्रको राजलक्ष्मीमायन्तीकृतवानिति भावः।

अत्र करिरूत्प्रेक्षया एतदेव विवक्षति यत्पुरा राजलक्ष्मीः कुनृपतीनां वहूनि वर्षानि संसर्गात् कलङ्किता तत् कलंकम् क्षालयितुकामा तीर्थजले अवगाहनवत् राज्ञः शूद्रकस्य निशितकृपाणधारायां स्नातवती। सा शूद्रकेन विमला जाता। शूद्रकः असिवलेनैव राजलक्ष्मीं चिरमधिकृतवानित्याशयः।

अत्र क्षालयन्ती इत्येव इति क्रियोत्प्रेक्षा, कृपाणधारा जल इति निरङ्ग केवलरूपकञ्च अनयोरङ्गाङ्गि भावेन संकरः।

**व्याख्या - 5**

यस्य च परलोकाद्भयम्, अन्तःपुरिकालकेषु भङ्गः, नूपुरेषु मुखरता, विवाहेषु करपीड़नम्, अनवरत मखाग्निधूमेनाश्रुपातः, तुरगेषु कशाभिधातः, मकरध्वजे चापध्वनिरभूत्।



महाकवि वाणभट्ट विरचितायाः 'कादम्वरी' इत्याख्यायाः कथायाः कथामुखे शूद्रकवर्णनावसरे कथितमिदं वाक्यं कविना।

अत्र कविः महाराजस्य शूद्रकस्य सुशासनात् प्रजानां सर्वथा निःशङ्कत्वं दर्शयन्नाह यस्येति।

यस्य शूद्रकस्य परलोकात् जन्मान्तरात् भयम, न तु शत्रुतः, तस्मादात्मनः प्रवलत्वात्। अभूदिति वक्ष्यमाण्यक्रियया सर्वत्रान्वयः। अन्तःपूरिकाणाम् अन्तःपुरवासिनीनाम् स्त्रीणाम् अलकेषु चूर्णकुन्तलेषु भङ्गो वक्रता, न तु युद्धेषु भङ्ग पराजयः दुर्धष सैन्यशालित्वाद्। नूरपेषु मुखरता शब्दायमानता, न तु जनेषु मुखरता वाचालता सर्वेषामेव प्रियभाषित्वाद्। विवाहेषु करपीड़नम् पाणिग्रहणम्, न तु लोकेषु करो राजग्राहय द्रव्यं तेन पीड़नं अर्थात् लोकानां सम्पन्नत्वेन यथासमये एव तत्प्रदानात् राज्ञश्च अवस्थानुसारेण व्यावस्थापनात्। अनवरतेन अविरतेन मखाग्निधूमेन यज्ञवह्निधूमेन अश्रुपातः नयनजल निःसरणं न तु शोकादिना, अकालमरणाभावाद्। तुरगेषु अश्वेषु कशाभिघात— न नु चौरादिषु तदभावाद्। मकरध्वजे मदने चापध्वनिः लोकमनमोहनाय धनुष्टंकारः, न तु सैन्यजने, प्रायेण युद्धाभावादिति भावः।

अतः नरसिंहे शूद्रके राज्यं शासति प्रजानां कुतोऽपि कापि शंका नासीदिति भावः।

अत्र परिसंख्यालंकारः। किञ्च मकरध्वजे चापध्वनिरित्यत्र असम्वन्धेऽपि तत्सम्मन्धोक्तेरतिरायोक्तिः इति एतेषां मिथो निरपेक्षतया।

**व्याख्या - 6**

नाम्नैन यो निर्भिन्नारातिहृदयो विरचितनारसिंहरूपाडम्वरम् एकविक्रमाक्रान्तसकलभूवनतलो विक्रमत्रयायासितं च जहासेव वासुदेवम्।

महाकवि वाणभट्ट विरचितायाः 'कादम्वरी' इत्याख्यायाः कथायाः कथामुखे महाराजस्य शूद्रकस्य गुणोत्कर्षवर्णनावसरे कविना निवद्धमिदं वाक्यम्।

अत्र कविः महाराजस्य शूद्रकस्य अलोकसामान्यं गुणोत्कर्षं दर्शयति।

यः शूद्रकः नाम्नैव स्वनामाकर्णमात्रेणैव निर्भिन्नं भयोत्पादनेन विदारितम् अरातीनां हृदयं येन सः। विरचितः हिरेण्यकशिपोर्वक्षविदारणाय विहितः नरसिंहरूपस्य नरसिंहरूपधारणस्य आडम्वरो वृहद् व्यापारो येन तम्। एक